কাৰিকৰী বিজুতিৰ বাবে ২৫ এপ্ৰিল ২০২৫ৰ সংখ্যাটো ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰা হ'ল। তাৰ বাবে আমি দুঃখিত।

— সম্পাদক


গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৫ এপ্ৰিল, ২০২৫/১১ ব'হাগ ১৯৪৩ শক ● দাম ২.০০ টকা ● চতুৰ্দশ বছৰ

● সংখ্যা - ১ ● Vol - 14, Issue - 1


## পেহেলগাম ট্ৰেজেডি ঃ সন্ত্ৰাসবাদী নিৰ্মূলৰ হুংকাৰ মোদীৰ

# বিশ্বজুৰি নিন্দিত বৰ্বৰ সন্ত্ৰাসবাদ

### পাকিস্তানৰ বৰ্বৰতাৰ প্ৰতিশোধ ল'বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভগৱানে শক্তি দিয়ক ঃ মুখ্যমন্ত্ৰী শৰ্মা



**অভিজিৎ কলিতা, পলাশবাৰী ঃ** অতি বৰ্বৰ। পেহেলগামত সংঘটিত হোৱা সন্ত্ৰাসবাদীৰ বৰ্বৰ হত্যালীলাৰ ধিক্কাৰ দিছে ট্ৰাম্প, পুটিনকে ধৰি সমগ্ৰ বিশ্বই। প্ৰধান মন্ত্ৰী মোদীয়ে সন্ত্ৰাসবাদী নিৰ্মূলৰ হুংকাৰ দি এই হত্যালীলাৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি সদৰী কৰে। জম্মু-কাশ্মীৰৰ পেহেলগামত মঙ্গলবাৰে দিনৰ প্ৰায় ২.৩০ বজাত সংঘটিত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ মৃতকৰ সংখ্যা ২৬ জনলৈ বৃদ্ধি পাইছে। ইতিমধ্যে আহত সকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি দুপৰীয়া ট্ৰেকিংলৈ যোৱা এদল পৰ্যটকক লক্ষ্য কৰি লৈছিল এটা সন্ত্ৰাসবাদী দলে। পেহেলগামৰ বৈছাৰণ উপত্যকাত থকা এদল পৰ্যটকৰ কাষলৈ আহি তেওঁলোকক নাম-ধৰ্ম সোধাৰ লগতে ইছলামৰ মূল বাক্য "লা ইলাহ ইল্লিল্লাহ, মহম্মদ ৰসূলিল্লাহ' পাঠ কৰিবলৈ কৈছিল। পাঠ কৰিব নোৱাৰা সকলৰ ওপৰত নিৰ্বিচাৰে গুলীচালনা কৰিছিল সন্ত্ৰাসবাদী দলটোৱে। প্ৰায় ৪ৰপৰা ছজনীয়া সন্ত্ৰাসবাদী দলটোৱে পৰ্যটকসকলৰ ৭ পৃষ্ঠাত










## ইংলেণ্ডৰ নিউকাছলত ৰঙালী বিহু উদ্‌যাপন ঃ অনুষ্ঠানত মৃণালিনী দেৱী



**এম হাছিম আলী, ডিব্ৰুগড় ঃ** বিহু অসমীয়াৰ হৃদয়ত চিৰপ্ৰৱাহমান। তাকেই প্ৰমাণিত কৰি সাত সাগৰ তেৰ নদীৰ পাৰ হৈ বিদেশত থকা অসমীয়াই ৰঙালী বিহু উদ্‌যাপন কৰিছে। ইংলেণ্ডৰ নিউকাছল চহৰত থকা বাসিন্দাসকলে ২০ এপ্ৰিলত ৰঙালী বিহু উদ্‌যাপন কৰে। জনস্পেনছ কমিউনিটি হাইস্কুলৰ ড্ৰামা গৃহত আয়োজিত অনুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীয়ে। তেওঁ ঘোষা পাঠৰ পিছতেই অনুষ্ঠানটো আনুষ্ঠানিকভাৱে আৰম্ভ হয়। মূলতঃ আন আন জনগোষ্ঠীৰ সৈতে সেতু গঢ়াৰ লক্ষ্যৰে আয়োজিত ৰঙালী বিহুৰ বিশেষ আছিল অসমৰ চলচ্চিত্ৰ প্ৰযোজক অৰুণজিৎ বৰাৰ 'গুডবাই গুৰুজী'ৰ বিশেষ স্ক্ৰীনিং অনুষ্ঠান। মন কৰিবলগীয়া যে, এই চিনেমাখন উপভোগ কৰিবলৈ ফ্ৰান্সৰ পৰাও ৭ পৃষ্ঠাত

## কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত ৪৭৪ সংখ্যক স্থানেৰে গৌৰৱ কঢ়িয়াই আনিছে নগাঁৱৰ ভাস্বত শইকীয়াই

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ঘোষণা কৰা ২০২৪ বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ (ইউপিএছচি) পৰীক্ষাত নগাঁৱৰ ভাস্বত শইকীয়াই ৪৭৪ সংখ্যক স্থান লাভ কৰি নগাঁও জিলাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ যে ২০২৩ বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত নগাঁৱৰ এইজন মেধাবী ছাত্ৰ ভাস্বত শইকীয়াই ৫৫২ সংখ্যক স্থান লাভ কৰি ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া অৰ্থাৎ আই পি এছৰ স্থান অধিকাৰ কৰি নগাঁও তথা ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। ইয়াৰ পূৰ্বে তেওঁ ২০২২ চনত আই এফ এছ পৰীক্ষাত ৬৮ সংখ্যক স্থান লাভ কৰিছিল। তেওঁ আই এ এছ পোৱাৰ লক্ষ্যৰে ২০২৪ চনৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ২০২৩ বৰ্ষতকৈ ফলাফল উন্নত কৰিবলৈ সক্ষম হৈছে। নগাঁও চহৰৰ বাল্যভৱনত ৭ পৃষ্ঠাত



# ৰহাৰ এখন সৰু বিদ্যালয়ৰ পৰা আশানুৰূপ ফলাফল নাছৰিণ আহমেদৰ



**ৰহা ঃ** ৰহাৰ এগৰাকী নিবনুৱা যুবক ৰাকিব উদ্দিন আহমেদে নিজৰ বন্ধু-বান্ধৱ আৰু চিনাকি লোকৰ সৈতে আলোচনা কৰি, তাৰে মাজৰে কেইগৰাকীমানক শিক্ষক হিচাপে জড়িত হ'বলৈ আহ্বান কৰি মাতৃভাষা শিক্ষাৰ গুৰুত্ব প্ৰদানৰ হকে ৰহাৰেই কেইবাখনো ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতিযোগিতাৰ মাজতে ৰহা জাতীয় বিদ্যালয় নামে এখন বিদ্যালয় প্ৰতিষ্ঠা কৰে। ২০১৫ চনত প্ৰথমে ৰাকেশ ধিৰ মেধিৰ ঘৰতে প্ৰদান কৰা দুকঠা মাটিত বিদ্যালয়খন পতা হয় যদিও পাছলৈ প্ৰাক্তন বিধায়ক জগদীশ দাসে প্ৰদান কৰা এবিঘা মাটিত বাঁহ-বেতেৰে নিৰ্মাণ কৰা বিদ্যালয়খনত প্ৰতিষ্ঠাপক তথা শিক্ষকসকলে অতি কষ্টৰে স্বেচ্ছাসেৱামূলকভাৱে দহ বছৰ ধৰি বিদ্যালয়খন পৰিচালনা কৰি আহিছিল। বিদ্যালয়খনে বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষাৰে পাঠদান কৰি উপযুক্ত মানুহ হৈ উঠাত গুৰুত্ব ৰাখিছিল। আৰ্থিক অসুবিধাৰ বাবে বিদ্যালয়খনৰ সৈতে জড়িত উদ্যোক্তাসকলৰ ত্যাগ আৰু পৰিশ্ৰমে যেন আশাৰ সঞ্চাৰ কৰিছে। এক দশক ধৰি কৰা কষ্টৰ ফল লাভ কৰিছে বিদ্যালয়খনে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ২০২৫ ত প্ৰথমবাৰৰ বাবে এগৰাকী ছাত্ৰীঅৱতীৰ্ণ কৰাই লাভ কৰিলে ত্যাগৰ স্বীকৃতি। বিদ্যালয়খনৰ একমাত্ৰ ছাত্ৰী নাচৰিন আহমেদে পাঁচটা বিষয়ত লেটাৰ সহ ৫০২ নম্বৰ পাই ষ্টাৰ সহ উত্তীৰ্ণ হৈছে। এই সফলতাৰ বাবেই বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ মুখত অশেষ, দুখ-কষ্টৰ পাছত বিৰিঙিছে মুখত হাঁহি। ৰহাৰ বিশিষ্ট নাগৰিক, অধিবক্তা তথা অধুনালুপ্ত 'বোকনি সমষ্টিৰ (জাগীৰোড সমষ্টিৰ পূৰ্বৰ নাম৭২ চনত) প্ৰাক্তন বিধায়ক প্ৰয়াত জগদীশ দাসে ৰহাৰ ভাটিগাঁৱত নিজ মাতৃৰ সোঁৱৰণত এবিঘা মাটি দান দিছিল বিদ্যালয়খনক। তাৰ পাছৰে পৰা বিদ্যালয়খনৰ নাম হয় 'ভবানী দাস ৰহা জাতীয় বিদ্যালয়'। ইয়াৰ আগতে বিদ্যালয়খন ৰাকেশ ধিৰ মেধিৰ ঘৰৰ মাটিতে চলাই থকা হৈছিল। ১৯১৫ চনত ৭ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক আছিল ৰাকিব উদ্দিন আহমেদে। বিদ্যালয়খন উদ্বোধন কৰিছিল বিশিষ্ট কবি জীৱন নৰহে। ৰহা অঞ্চলৰ সমাজ-সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত লোকসকলৰ উপস্থিতিত উদ্বোধন কৰা বিদ্যালয়খন ৰহাৰ মাতৃভাষা মাধ্যমৰ শিক্ষাৰ এক ব্যতিক্ৰম শিক্ষানুষ্ঠান হিচাপে গঢ় দিয়াৰ লক্ষ্য আছিল উদ্যোক্তাৰ। ৰাজু দত্ত, বীতা দেৱী, স্মৃতিৰেখা কাকতি, বেবিলিনা দাস, তুলিকা ডেকা, নফিছা আহমেদ, গৌতম নাথ, তুষাৰজিৎ মেধিকে ধৰি কেইগৰাকীও যুৱক-যুৱতী জড়িত হৈ বিদ্যালয়খনৰ শৈক্ষিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আৰ্থিক অসুবিধা তথা পাৰিশ্ৰমিক অনিয়মীয়া হোৱাৰ বাবে কোনো-কোনোৱে দীৰ্ঘদিন কৰ্তব্য পালন কৰিব নোৱাৰিলেও কেইগৰাকীমানে ধৈৰ্য্য সহকাৰে কাম কৰি বিদ্যালয়খনক অগ্ৰগতি প্ৰদান কৰে। পৰিচালনা সমিতিৰ লগতে ৰহাৰ বিশিষ্ট সমাজ কৰ্মী তথা বিজ্ঞানী ড° দীনেশ হাজৰিকাক সভাপতি আৰু সমাজ সংগঠক অপূৰ্ব বৰুৱাক সম্পাদক হিচাপে লৈ এখন শৈক্ষিক উপদেষ্টা সমিতি গঠন কৰি দিয়া হৈছিল। সকলোৰে উপযুক্ত দিহা-পৰামৰ্শ আৰু সহযোগিতাই বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ সুচাৰুৰূপে পৰিচালিত হোৱাত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তাৰে ফল স্বৰূপে হাইস্কুল শিক্ষান্ত পৰীক্ষাত নাছৰিণ আহমেদৰ দৰে প্ৰতিভাসম্পন্ন ছাত্ৰীয়ে সঠিক শিক্ষা গ্ৰহণ কৰি ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ আনুষ্ঠানিক কাগজ পত্ৰৰ কাম সমাপন নোহোৱা বাবে মঠবৰিড়ৰ শংকৰদেৱ হাইস্কুলৰ পৰা আনুষ্ঠানিকভাৱে ছাত্ৰীগৰাকী পৰীক্ষাত অৱতীৰ্ণ হয়। ভৱিষ্যতে ৰহা জাতীয় বিদ্যালয়ৰ পৰা অধিক ভাল ফলাফল আশা কৰিব পাৰি। ৰহাৰ অভিভাৱকসকলে বিদ্যালয়খনক বিশ্বাসত ল'লে উদ্যোগী যুৱক-যুৱতীসকলে ভাল ফলাফলেৰে নিশ্চয়কৈ অনাগত দিনত শিক্ষাৰ জ্যোতিৰে অঞ্চলটোক জ্যোতিষ্মান কৰি তুলিবলৈ সক্ষম হ'ব।

# দলগিৰি কেন্দ্ৰীয় বিহু মেলাৰ শতবৰ্ষ উদযাপন সমাৰোহ



**বিতোপন গগৈ, শিমলুগুৰি ঃ** বিশ্বনাথ জিলাৰ গহপুৰ দলগুৰিৰ ঐতিহ্যমণ্ডিত অঞ্চলৰ কেন্দ্ৰীয় বিহুমেলাৰ শতবৰ্ষ উদ্যাপন সমাৰোহৰ উলহ মালহ পৰিৱেশ। ব'হাগতে জাতিটোৰে স্নান কৰি নসাজ পিন্ধাৰ লগতে নতুন সংকল্প আৰু সপোনৰ আলিবাটত খোজ দিয়ে। ইয়াৰ লগে লগে বছৰজোৰা বিভিন্ন উন্নয়নমূলক কৰ্ম আঁচনি আৰু কাৰ্যক্ৰমণিকাৰে দলগুৰি কেন্দ্ৰীয় বিহু মেলাৰ শতবৰ্ষ উদযাপন সমিতিয়ে ৰাইজৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। ইং ১৯, ২০ আৰু ২১ এপ্ৰিল অৰ্থাৎ ৫, ৬, আৰু ৭ বহাগত বিভিন্ন কাৰ্যসূচীৰে ৰূপায়ণৰ প্ৰচেষ্টা কৰাৰ বিষয়ে জানিব পৰা হয় সমিতিৰ মুখ্য সম্পাদক অনিত শইকীয়াৰ জৰিয়তে। গছপুলি ৰোপণ, এশগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা পতাকা উত্তোলন, সোণসেৰীয়া স্মৃতি অনুষ্ঠান, কেবাটাও দলৰ জেং বিহু প্ৰদৰ্শন, সৰু বিহুৱতী প্ৰতিযোগিতা আদি প্ৰথমদিনা সম্পন্ন হয়। দ্বিতীয় আৰু তৃতীয় দিনা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, বিহু বিষয়ক আলোচনাত দলগুৰি সুবাল মুখপত্ৰ উন্মোচন, জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন, মুকলি বিহু প্ৰতিযোগিতা, ৰাতিলৈ আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধ্যা আজি মাজুলীৰ শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত ননী গোপাল দেৱ গোস্বামী উপস্থিত থকা অনুষ্ঠানত ৰাইজৰ বিপুল উপস্থিতি। ইয়াৰ পূৰ্বে আয়োজন কৰা হৈছিল বিহুৰ আখৰা আৰু বিচাৰকৰ কৰ্মশালা, পৰম্পৰাগত খেল-ধেমালি, সাহিত্য আৰু কৃষ্টি প্ৰতিযোগিতা। সভাপতি উৎপল বৰা, কাৰ্যকৰী সভাপতি শোভন বৰা, অন্যতম মুখ্য সম্পাদকদ্বয় নোমল বৰুৱা অনিত শইকীয়া আৰু অন্যান্য বিষয়ববীয়া ক্ৰমে দুলাল পূজাৰী, প্ৰভাত বৰা, বিপুল কুমাৰ দিহিঙীয়া আদিৰ লগতে বহুতৰে ত্যাগ আৰু পৰিশ্ৰমে অনুষ্ঠান জীপাল কৰি তোলে।

# ৰঙালীৰ সাহিত্য মেলা অকচ আৰু অগচৰ গ্ৰন্থ উন্মোচন আৰু কবিতা পাঠৰ অনুষ্ঠান




**অনামিকা (সংগীতা) কলিতা, গুৱালকুছি ঃ** যোৱা ২০-০৪-২০২৫ ইং তাৰিখ দেওবাৰে গুৱাহাটী প্ৰেছ ক্লাবত আনন্দ প্ৰকাশৰ উদ্যোগত ৰঙালীৰ সাহিত্য মেলা অনুষ্ঠিত হয়, উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি 'অসমীয়া সাহিত্য চৰ্চা' (অকচ) আৰু অসমীয়া গদ্য চৰ্চা (অগচ) দুটা সামাজিক মাধ্যমৰ গ্ৰুপৰ গ্ৰন্থ উন্মোচনী আৰু কবিতা পাঠ অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানটোৰ সৈতে বিশেষভাৱে জড়িত থাকে আনন্দ প্ৰকাশনৰ স্বত্বাধিকাৰী আমিনুৰ ৰহমান গ্ৰুপট দুটাৰ মুখ্য প্ৰশাসক, বিগত বৰ্ষবোৰত ন-পুৰণি লেখক -লেখিকাৰ বিভিন্ন গ্ৰন্থ চপা কৰি উলিয়াই সাহিত্যৰ ক্ষেত্ৰত এক উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। তেখেতে নিজেও এগৰাকী ভাল লেখক বহুত কেইখন গ্ৰন্থ পাঠক সমাজলৈ আগবঢ়াইছে। এইবেলিও লেখিকা সীতা সিংহ 'তোমাৰ সুবাস বিচাৰি' লেখিকা কনকলতা কে বৰ্মনৰ 'জানাইতো মই সূৰুযৰ কান্দোন সহিব নোৱাৰোঁ' লেখিকা প্ৰতিভা ডেকাৰ 'এমুঠি লতিফা আৰু কিছু কথা' লেখিকা ডাঃ চফিকা আলেমা 'এজাক সপোনৰ বৰষুণ' লেখক আউয়াল মজিদৰ 'হৃদয়ৰ স্পন্দন' লেখিকা পুষ্পাঞ্জলী দেৱীৰ 'ৰতোৱাল' লেখিকা সোণতৰা দেৱীৰ 'ছবিয়ে কথাকয়' আদি বহুত কেইখন গ্ৰন্থ উন্মোচিত হয়। অকণমান ব্যতিক্ৰম আছিল উন্মোচন অনুষ্ঠান। সচৰাচৰ প্ৰেছক্লাৱত বা বিভিন্ন ঠাইত গ্ৰন্থ উন্মোচন বিশিষ্ট ব্যক্তি সকলৰ হাতেৰে কৰে কিন্তু সিদিনা তাত উপস্থিত গ্ৰুপটোৰ প্ৰতিজন সদস্য, পাঠক, লেখক, মডাৰেটৰসকলৰ হাতেৰে উন্মোচন কৰিছে অভিভূত হ'লো। গ্ৰন্থ উন্মোচন আৰু কবিতা পাঠ কৰা ব্যক্তিসকলক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

# নদুৱাৰৰ ৰঙাচকুৱাত সম্পূৰ্ণ বিনামূলীয়া চকু পৰীক্ষা শিবিৰত অংশগ্ৰহণ বিধায়ক পদ্ম হাজৰিকা

## তিনিশৰো অধিক লোকক উন্নত চিকিৎসকৰ দ্বাৰা চকু পৰীক্ষা



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত মঙলবাৰে ৰঙাচকুৱা সামূহিক ভৱনত পুৱাৰে পৰা ভৰলীপৰীয়া কন্যকা বহুমুখীপামৰ উদ্যোগত শ্ৰীশংকৰদেৱ নেত্ৰালয় গুৱাহাটীৰ সহযোগত সম্পূৰ্ণ বিনামূলীয়া চকু পৰীক্ষা শিবিৰত অংশগ্ৰহণ কৰে বিধায়ক পদ্ম হাজৰিকা। উক্ত চকু পৰীক্ষা শিবিৰত প্ৰায় তিনিশৰো অধিক বৃদ্ধ-বৃদ্ধা, যুৱক-যুৱতীক গুৱাহাটীস্থিত শ্ৰী শংকৰদেৱ নেত্ৰালয়ৰ উন্নত চিকিৎসকৰ দ্বাৰা এই শিবিৰত চকু পৰীক্ষা কৰোৱা হয়। ভাষণ প্ৰসংগত বিধায়কগৰাকী কয় যে - বৰ্তমান ভৰলীপৰীয়া কন্যকা বহুমুখীপামৰ উদ্যোগত জামুগুৰিহাট, চাৰিদুৱাৰ, নাগশংকৰৰ লগতে ৰঙাচকুৱাত চতুৰ্থ শিবিৰ আৰম্ভ হয়। শ্ৰীশংকৰদেৱ নেত্ৰালয় গুৱাহাটীৰ সহযোগত চকু পৰীক্ষা কৰা লোকসকলক ঔষধ, গুৱাহাটীলৈ অহা যোৱাৰ লগতে অপাৰেশ্যনৰ খৰছ সম্পূৰ্ণ বিনামূলীয়া বুলি জানিবলৈ দিয়ে। গতিকে সকলো ৰাইজক এই চকু পৰীক্ষা শিবিৰত সহযোগিতা আগবঢ়াবলৈ বিধায়কগৰাকীয়ে বিনম্ৰ অনুৰোধ জনায়। উক্ত চকু পৰীক্ষা শিবিৰত চিকিসৎক ক্ৰমে নিতুৰাজ মহন্ত, মিজাহুৰ ৰহমান, হৰু ৰচিদ, জুপিতৰা কলিতা, মহচিনা বেগম, প্ৰণামি শৰ্মা, কৈলাশ ৰাজবংশী, স্বপ্নালী দেৱীৰ লগতে উত্তৰ নদুৱাৰ মণ্ডলৰ সভাপতি কিশোৰ দাহাল, বিশিষ্ট সমাজকৰ্মী দ্বিজেন দাস, জেষ্ঠ বিজেপি নেতা ধনপতি কাফলেৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## হেৰাইছে

মোৰ নাম নাজিমুদ্দিন। মোৰ ২০৪২৪০০৬৪৫২ নম্বৰৰ Admit Card খন হেৰাইছে। কোনো সদাশয় ব্যক্তিয়ে যদি পায় Kindly মোক দিয়ে যেন। ধন্যবাদ।

# ব'হাগৰ বুকুতেই আছে অসমীয়া জাতিটোৰ মহত্ব

■ বুলমণি বৰি
লখিমপুৰ

**সা**মাজিক জীৱ হিচাপে মানুহে কিছুমান ৰীতি নীতি আচাৰ ব্যৱহাৰ বিশ্বাস অবিশ্বাস ধৰ্ম অধৰ্ম উৎসৱ অনুষ্ঠান আদিৰ মাজেৰে জীৱন নিৰ্বাহ কৰে। নানা ধৰণৰ পৰম্পৰাগত লোকবিশ্বাসৰ আন্তঃসম্পৰ্কৰ ফলতেই লোক উৎসৱ উদ্ভৱ হয়। ইয়াৰ পটভূমি বসন্ত ঋতুৰ ব'হাগ বিহু।

বসন্ত ঋতুত প্ৰকৃতিয়ে যেতিয়া সৌন্দৰ্য্যৰ আঁচল উৰুৱাইছিল চৌপাশে চিত্ৰ বিচিত্ৰ ফুলৰ সমাহাৰত বতাহত বিয়পি পৰা ফুলৰ মিশ্ৰিত সুৱাসৰ সেই নান্দনিক পৰিৱেশৰ লগত একাত্ম হৈ অতীজতে ডেকা গাভৰুসকলে গছৰ তলত বিহু নাচিছিল। জনবিশ্বাস আছিল যে পদ সঞ্চালন কৰি কৰি বিহু নাচিলে পৃথিৱী উত্তেজিত হ'ব আৰু উৰ্বৰা শক্তি বৃদ্ধি পাব। পৃথিৱী সৰ্গভা হৈ শস্য শ্যামলাৰে ভৰি পৰিব।

ডেকাসকলৰ বিহু গাভৰুসকলে দেখা নাছিল আৰু গাভৰুসকলৰ বিহু ডেকাসকলে দেখা নাছিল। বতাহত গছজোপা যেনেকৈ হালিছিল নাচনিসকলে ঠিক তেনেদৰে হালি জালি নাচিছিল। বতাহত গছৰ পাত যেনেদৰে লৰিছিল সেই গছৰ পাতৰ পৰাই আয়ত্ব কৰিছিল নাচৰ ভংগীমা। ডেকাসকলে মেঘৰ গৰ্জনক বন্দী কৰিছিল ঢোলৰ চাপৰত।

কালক্ৰমত সেই গছতলৰ বিহুৱে আহি মুকলি পথাৰ পাইছিলহি অৰ্থাৎ ডেকা গাভৰুসকলে কোনো আঁৰ বেৰ নোহোৱাকৈ একেলগে বিহু নাচিছিল। পথাৰৰ সেই মুকলি বিহুৱেই আহোমসকলৰ পৃষ্ঠপোষকতাত ৰাজ দৰবাৰলৈ আহিছিল আৰু আহোম ৰজা ৰুদ্ৰসিংহৰ দিনত এই বিহুক সৰ্বজনীন ৰূপ দি ৰাজকীয় সন্মান প্ৰদান কৰিছিল আৰু সেই ৰাজদৰবাৰৰ পৰাই খুওৱ আধ্যাত্মিক পৰম্পৰাৰে আগমণ ঘটিছিল চোতাললৈ।

প্ৰথমে গঞা ৰাইজে সমূহীয়া প্ৰাৰ্থনা গৃহ নামঘৰ নাইবা গাঁওখনৰ মুখিয়াল ঘৰত হুঁচৰি যুৰিছিল। তাৰ পাচত গাঁওখনৰ এটা মূৰৰ পৰা আন এটা মূৰলৈ বিহু মাৰিছিল। একেখন চোতালতে যদি দুজন ভাতৃ পৃথকে পৃথকে আছিল তেতিয়া হ'লে হুঁচৰি পদ এনেদৰে যুৰিছিল।

হুঁচৰি এ হাওঁ
দুয়োঘৰৰ মাজতে হুঁচৰি গাওঁ

সেইমতে দুয়ো ভাতৃৰ সপৰিয়ালে একেলগে সেৱা জনাই হুঁচৰিযোৰাৰ পৰা আৰ্শীবাদ লৈছিল আৰু তাতেই প্ৰমাণ পোৱা গৈছিল যে জীৱন আৰু জীৱিকাৰ তাড়নাত ভাতৰ চৰু বেলেগ হ'লেও মনবোৰ কিন্তু একেডাল এনাজৰীৰে বান্ধ খাই আছিল।

আকৌ দদাই ভতিজাকৰ ঘৰ যদি ওচৰাওচৰিকৈ আছিল তেতিয়াহ'লে প্ৰথমতে দদায়েকৰ ঘৰত হুঁচৰি যুৰি বিহু মাৰিছিল। মুঠতে এই বিহুয়ে বহন কৰিছিল নৈতিক পৰম্পৰা।

কালক্ৰমত এই চোতালৰ বিহুৱে ৰূপ পাইছিল মঞ্চৰ। ১৯৫২ চনৰ গুৱাহাটী লতাশিল খেলপথাৰত ব্যাপক আয়োজনেৰে গুৱাহাটী বিহু সন্মিলনী পতা হৈছিল আৰু তাতেই সৃষ্টি হৈছিল বিভিন্ন জাতি জনগোষ্ঠীৰ সমন্বয়ৰ। সকলো জাতি জনগোষ্ঠীয়ে নিজ নিজ সাজ পোচাক পৰিধান কৰি নিজ নিজ সংস্কৃতি প্ৰদৰ্শন কৰিছিল আৰু তেতিয়াৰ পৰাই এই মঞ্চ বিহু কিন্তু থমকি ৰোৱা নাই। বোৱতী নদীৰ সোঁতে সোঁতে বৈ গ'ল এই সমন্বয়ৰ যাত্ৰা।

কৃষক সমাজে যিহেতু শস্যৰ শ্ৰীবৃদ্ধিৰ কামনা কৰি বিহুক উৎসৱ হিচাপে পালন কৰিছিল। যিহেতু ব'হাগৰ প্ৰাণ চঞ্চলা প্ৰকৃতিৰ নয়নাভিৰাম দৃশ্যত পৰিস্ফুত হয় অফুৰন্ত সৃষ্টিৰ সমল। সেয়ে ব'হাগ বিহুতেই কৃষকে কৃষিকাৰ্যৰ বাবে নিজকে সাজু কৰি তোলে। যিহেতু কৃষিৰ সমৃদ্ধিৰ সৈতে জড়িত হৈ আছে প্ৰকৃতিৰ বিভিন্ন উপাদান। ব'হাগেই প্ৰাণভৰি উপচাই দিয়ে মানৱজাতিলৈ অলেখ বৰদান। কৃষি যিহেতু বতৰৰ ওপৰত নিৰ্ভৰ কৰে বসন্তৰ প্ৰথমজাক বৰষুণত ধৰিত্ৰী জীপাল হয় আৰু কৃষকৰ বাবে আহি পৰে সৃষ্টিৰ এক নতুন বাৰ্তা।

জনবিশ্বাস আছে যে বিহু গীত আৰু নৃত্যত ব্যৱহৃত হোৱা ঢোল পেঁপা গগণা টকা আদিৰ শব্দৰ জৰিয়তে পৃথিৱীৰ বুকুলৈ গাজনি ধুমুহা বৰষুণ নামি আহে। সেয়ে বিহু গীত আৰু নৃত্যত ব্যৱহাৰ হোৱা প্ৰতিটো বাদ্যই বহন কৰি আছে ব'হাগৰ ন বৰষুণৰ আভ্যন্তৰীণ অৰ্থ।

কৃষি উৎসৱ যিহেতু সমৃদ্ধিৰ কামনা অৰ্থে সেয়ে বিহু গীত নৃত্যত প্ৰতিফলিত হয় প্ৰজননৰ কামনা। প্ৰজননৰ কামনা প্ৰতিফলিত হ'বলৈ অৱধাৰিতভাৱে বিহু গীত নৃত্যত ডেকা-গাভৰুৰ অংশগ্ৰহণৰ কথা আহি পৰে। আহি পৰে ৰংমন ৰাংঢালিৰ উত্তেজিত মনৰ কামনা বাসনা। ব'হাগৰ পৰশত উন্মাদ হোৱা প্ৰকৃতিয়ে মনৰ মৌকোঁহতো উপচাই দিয়ে জীৱন উৰ্বৰ কৰা অদৃশ্য সন্মোহিনী শক্তি। সৃষ্টিৰ পাতনিৰে আৰম্ভ হোৱা ব'হাগৰ বিহুতলি প্ৰাণৱন্ত কৰি ৰংমন ৰাংঢালিয়ে যুগ্ম জীৱনৰ পাতনি মেলে। এই ৰংমন ৰাংঢালি যুগৰ



প্ৰতীক। নিজৰ সভ্যতা আৰু সংস্কৃতিক লৈ আগ্ৰহী হোৱা নৱ প্ৰজন্মৰ প্ৰতীক। যিহেতু বিহুৰ আধাৰেই হ'ল কৰ্ম সংস্কৃতি। শ্ৰমজীৱি কৃষিজীৱিৰ উৎসৱ। যি শ্ৰমে পথাৰত শস্যৰ নদন বদন অৱস্থাৰ সৃষ্টি কৰে। হেৰাই নাযাওক বিশ্বায়নৰ যুগত ৰংমন ৰাংঢালিৰ বুকুৰ পৰা গাঁৱৰ কেঁচামাটিৰ নিৰ্যাস। বোকাপানীৰ চেকা পৰিশ্ৰমী দেহৰ ঘামৰ গোন্ধ। পৰিৱৰ্তন ধামখুমিয়াত যাতে ৰংমন ৰাংঢালি কেৱল হিতাধিকাৰীৰ মাজলৈ পৰ্যৱেশিত নহয়। নহ'লে লোক সংস্কৃতিক অক্ষুণ্ণ ৰাখি সংস্কৃতি টনকিয়াল কৰা ব'হাগ বিহুৰ যি ধৰ্ম সেই ধৰ্ম নাশ হ'বলৈ হ'লে জাতিৰ অস্তিত্ব নাইকীয়া হ'ব।

**ম'বাইল ঃ** ৯৮৬৪৬-৮০৪৬৯

# অসমৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতি আৰু উৎসৱ-পাৰ্বণ

■ মাধুৰ্য ডেকা
গোসাঁইবৰী গাঁও, নগাঁও

**ভা**ৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত অসম বিভিন্ন জাতি-উপজাতিৰে পৰিপূৰ্ণ এখন ৰাজ্য। ইয়াত বড়ো, কছাৰী, কাৰ্বি, গাৰো, তিৱা, মিচিং ৰাভা আদি বিভিন্ন লোকে একেলগে বসবাস কৰি আহিছে। যেনেদৰে অসমত বিভিন্ন জাতি-জনজাতি লোক আছে, ঠিক তেনেদৰে প্ৰত্যেক জাতি জনজাতিৰে নিজা নিজা কৃষ্টি-সংস্কৃতি, ভাষা, ঐতিহ্য পৰম্পৰা আছে। অসমৰ কৃষ্টি সংস্কৃতি আৰু উৎসৱ অনুষ্ঠান বুলি ক'লে সাধাৰণতে কোনো এটা জাতি বা জনজাতি লগত সদায় ব্যৱহাৰ হৈ থকা ধৰ্মীয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু সামাজিক অনুষ্ঠানক বুজা যায়। এই সকলোবোৰ সংস্কৃতি আধাৰতে আমাৰ অসমীয়া জাতিটো গঢ় লৈ উঠিছে। লগতে আমাৰ অসমৰ মহাপুৰুষ দুজনাৰ অবিহনে অসমীয়া সংস্কৃতি কথা ভাৱিব নোৱাৰি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যেনেদৰে- গীত-পদ, নাট-ভাওনা, খোল, তাল আদিৰ সৃষ্টিৰাজিয়ে অসমীয়া সংস্কৃতিক এক সক্ৰিয় ৰূপত প্ৰতিষ্ঠিত কৰি তুলিলে। ঠিক সেইদৰে দুইজনা মহাপুৰুষে সৃষ্টি কৰা নামঘৰ-সত্ৰবোৰো অসমীয়া কৃষ্টিৰ বাবে প্ৰাণ প্ৰতিস্থাপক আৰু লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্টি সত্ৰীয়া নৃত্য সমগ্ৰ ভাৰততে সন্মান লাভ কৰিছে। ইয়াৰ উপৰিও অসমৰ বিভিন্ন উৎসৱ পাৰ্বনৰ যোগেদিও ভিন ভিন অঞ্চলৰ লোকৰ মাজত সমন্বয় গঢ় লৈ উঠা দেখিব পোৱা যায়। অসমত পালন কৰা প্ৰধান উৎসৱসমূহৰ ভিতৰত বিহু অসমৰ জাতীয় উৎসৱ। তিনিটা বিহু ক্ৰমে ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু। বিহু কৃষিভিত্তিক হোৱা বাবে সকলো জনগোষ্ঠীৰ লোকে এই বিহু পালন কৰে। প্ৰায় জনগোষ্ঠীৰ কিছুমান নিজস্ব পৃথক ৰীতি নীতি থাকে। আৰু সেই অনুযায়ী বিহু কেইটাও সামান্য পৃথকভাৱে পালন কৰা দেখা যায়। যেনে- বড়োসকলৰ বৈশাগু, খেৰাই পূজা, কাৰ্বিসকলে ৰংকাৰ আৰু হেচ্ছা, মিচিং সকলৰ আলি-আই-লৃগাং, ডিমাচা সকলে ৰাজিনী গাব্ৰা, ৰাভাসকলে বাইখ' আৰু দেউৰী সকলে বৈশাগীত আদি এই সকলোবোৰ উৎসৱ বিহুৰ লগত জড়িত। ইয়াৰ উপৰিও অসমত ধৰ্মীয় আৰু সামাজিক উৎসৱও পালন কৰা দেখা পাওঁ। এই উৎসৱসমূহৰ লগত নৃত্য, গীত, বাদ্যযন্ত্ৰ আদিৰো জড়িত হৈ আছে। আমাৰ অসমত প্ৰচলিত কিছুমান বিহুগীত, নৃত্যগীত, জিকিৰ , মহ খেদা গীত, হুঁচৰি ঝুমুৰ নৃত্য, খেৰাই নৃত্য, দেউধানী নৃত্য আৰু এই নৃত্য গীতসমূহৰ লগত ঢোল, পেঁপা, গগনা , তাল, নেগেৰা, বাঁহী, দতৰা, চিফুং, টোকাৰী আদি বাদ্যযন্ত্ৰও বজোৱা হয়। অতীজৰে পৰা আৰু দুবিধ নৃত্যই অসমীয়া সংস্কৃতি বহন কৰি আহিছে। এই নৃত্য দুবিধ হ'ল পুতলা নাচ আৰু ওজাপালি। তেনেদৰে অসমীয়া সংস্কৃতি গঢ় লৈ উঠা কিছুমান পুৰণি ৰীতি নীতিবোৰ আজিও প্ৰচলন হৈ আহিছে। এই ৰীতি নীতিবোৰে সমাজখন শৃংখলাবদ্ধভাৱে চলিবলৈ সহায় কৰে। যেনে ঘৰলৈ আলহী আহিলে চাহ-জলপান, তামোল-পাণ আগবঢ়োৱা ইত্যাদি ইত্যাদি। কোনো এটা জাতিৰ সাজপাৰেও সেই জাতিটোৰ পৰিচয় ডাঙি ধৰে। অসমত বাস কৰা বিভিন্ন জাতি জনজাতিসকলৰ সাজপাৰ যেনে- অসমীয়া পুৰুষসকলৰ ধূতি, চেলেং-চাদৰ, কুৰ্তা আদি আৰু মহিলাসকলে ৰিহা, মেখেলা চাদৰ আদি পৰিধান কৰে। তেনেদৰে বড়ো, মিচিং কাৰ্বি, তিৱা, ডিমাচা, ৰাভা আদি জনগোষ্ঠীৰ পুৰুষ-মহিলাসকলেও নিজা নিজা সাজপাৰ পৰিধান কৰা দেখিব পোৱা যায়। অসমৰ সাজপাৰৰ লগতে অসমীয়া সমাজৰ আ-অলংকাৰৰ গুৰুত্বও অধিক আছে। অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা কিছুমান আ-অলংকাৰ হ'ল-গামখাৰু, জোনবিৰি, ঢোলবিৰি, কেৰু, থুৰীয়া, গলপতা এই অলংকাৰসমূহ আমাৰ অসমীয়া সংস্কৃতি বিয়া আৰু বিভিন্ন উৎসৱ পাৰ্বন তথা বিভিন্ন নৃত্যত মহিলাসকলে পৰিধান কৰাটো আমাৰ পৰম্পৰা। তাৰ উপৰিও আমাৰ অসমীয়া সংস্কৃতিত অসমীয়া মানুহৰ খোৱা বোৱাটো স্বকীয় বৈশিষ্ট্য আছে। যিহেতু অসম ধানখেতিৰ বাবে উপযোগী। সেইবাবে অসমৰ প্ৰধান খাদ্য হৈছে ভাত। ইয়াৰ উপৰিও অসমৰ মানুহে ধান চাউলৰ পৰা তৈয়াৰ কৰা কিছুমান খাদ্যবস্তু যেনে- চিৰা, আখৈ, মুৰি, সান্দহ, কোমল-চাউল আদিৰ উপৰিও অসমৰ পিঠা-পনাও আমাৰ অসমীয়া সমাজত গুৰুত্ব অধিক। অসমীয়া পিঠা-পনাবোৰ যেনে- তিলপিঠা, ঘিলাপিঠা, বৰপিঠা, নাৰিকল লাৰু, তিলৰ লাৰু, কেটলী পিঠা, চুঙা পিঠা ইত্যাদি আমাৰ অসমীয়া সমাজৰ থলুৱা খাদ্য। আমাৰ অসমত থকা জনগোষ্ঠীয় লোকসকল অতি প্ৰাচীনকালতে ভাৰত তথা বিভিন্ন দেশৰ পৰা ভিন ভিন পথেদি লোকসকল অসমলৈ আহিছিল বুলি পণ্ডিতসকলে কৈছে। তাৰে ভিতৰত যেনে- মংগোলীয়, অষ্ট্ৰিক, তিব্বত ধৰ্মী আদি লোকসকল আৰু তেওঁলোকৰ সংস্কৃতিৰ প্ৰভাৱ আমাৰ অসমীয়া সংস্কৃতিত পৰিছে বুলি পণ্ডিতসকলে স্বীকাৰ কৰিছে। সেইবাবে আমাৰ অসমখনক বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ মিলন ভূমি বুলি কোৱা হয়। ইয়াৰ উপৰিও অসমৰ এই কৃষ্টি-সংস্কৃতিৰ লগতে বিভিন্ন উৎসৱ তথা পূজা পাৰ্বন যেনে- ভাওনা, দুৰ্গাপূজা, দিপাৱলী, মে ডাম মে ফি, ঈদ, ফাকুৱা ইত্যাদি ইয়াত অন্তৰ্ভুক্ত। এই সকলো মিলি অসমৰ কৃষ্টি-সংস্কৃতিক এক সমৃদ্ধিশালী কৰি তোলে।


**ম'বাইল ঃ** ৬০০২৭-৯০৮৫৭

# ডাছোৱানীৰ JEE পৰীক্ষাত সাফল্য

**বিশেষ সংবাদদাতা, নগাঁও ঃ** মধ্য অসমৰ ভিতৰত নগাঁৱৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান ডাছোৱানী ইনষ্টিটিউটে প্ৰতি বৰ্ষৰ দৰে এইবাৰো সদ্য ঘোষিত জে, ই, ই (JEE) চূড়ান্ত পৰীক্ষাত জিলাখনলৈ সু-নাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আজি ঘোষিত জে, ই, ই মেইনৰ ফলাফলত প্ৰতিষ্ঠাখনৰ ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমত বিশেষকৈ চাৰি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ পাবলৈ সক্ষম হৈছে। সাফল্য প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে কেট্ৰিনা কোৱাইচ খান (95.51%) মৃদুৰাজ হাজৰিকা (95.17%), অংকুৰ কলিতা (94.94%), চিন্ময় হাজৰিকা (93.26%), কংকুৰ জ্যোতি দত্ত (89.90%), অংকিতা কুমাৰী সিং (89%)। উল্লেখ্য যে প্ৰতিষ্ঠাখনৰ সঞ্চালক প্ৰধান ড° প্ৰাঞ্জল কুমাৰ বৰাই জানিবলৈ দিয়া মতে তেওঁলোকৰ প্ৰতিষ্ঠাখনৰ পৰা এই বছৰত জে, ই, ই (JEE) পৰীক্ষাৰ মাধ্যমেৰে ১২ জন ছাত্ৰ-ছাত্ৰীয়ে এইবছৰ এন, আই, টি (NIT) ত নামভৰ্তি কৰাৰ সম্ভাৱনা




আছে। প্ৰতিষ্ঠাখনৰ এই ফলাফলে নগাঁও জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা লগতে প্ৰতিষ্ঠাখনৰ সকলো কৰ্মকৰ্তা আৰু অভিভাৱকসকলে সন্তুষ্ট প্ৰকাশ কৰিছে।



# গুৱাহাটীৰ পৰা ঋষিকেষলৈ যাত্ৰা

■ প্ৰাণ প্ৰতিমা বড়া
গুৱাহাটী

**মো**ৰ সৰুৰেপৰা এটা ভাললগা কাম হ'ল বিভিন্ন ঠাই ভ্ৰমণ কৰা আৰু আৰু সেইঠাইৰ মানুহৰ আচাৰ-ব্যৱহাৰৰ বিষয়ে বুজ লোৱা। মোৰ ভণ্টিয়ে প্ৰায় কিছুদিনৰ আগৰেপৰা শ্ৰীকেদাৰনাথ ধামলৈ যাবলৈ মোক কৈ আছিল। মই প্ৰথম অৱস্থাৰপৰা অকণমান ভয় খাইছিলোঁ। মনত সন্দেহ হৈছিল এই যাত্ৰা মোৰ দ্বাৰা সম্ভৱ হ'বনে? ভগৱানক সাক্ষী কৰি আমি যাত্ৰা আৰম্ভ কৰিলোঁ। গুৱাহাটীৰপৰা শ্ৰীকেদাৰনাথ ধামলৈ। যোৱা ১৪ ছেপ্তেম্বৰৰ দিনাখন পুৱা ৭-৩০ বজাত আমি ফ্লাইটত উৰা মাৰি প্ৰায় ৩ ঘন্টামানৰ পিছত দিল্লী এয়াৰপৰ্ট পালোঁ। দিল্লীৰ এয়াৰপৰ্ট যথেষ্ট ডাঙৰ আৰু ধুনীয়া। প্ৰথমবাৰৰ বাবে মই দিল্লীৰ মাটিত ভৰি দিলোঁ। মনটোত ভাবিব নোৱাৰা আনন্দই জোকাৰি গৈছিল। দিল্লী চোৱাৰ হেঁপাহ বহু বছৰৰ পৰাই মনত পুহি ৰাখিছিলোঁ। অবুজ আনন্দত মনটো ভৰি পৰিছিল। আমাৰ টিমত সাতজন সদস্য আছিল। মোৰ বৰদেউতাৰ ছোৱালী আৰু ১০ বছৰীয়া তেওঁৰ জী, মোৰ ভণ্টি, আমাৰ কন্যা নিয়ৰকণা, টিম লিডাৰ হিচাপে আমাক গাইড কৰা ভণ্টিৰ অফিচৰ ছিনিয়ৰ বাইদেউ শ্ৰদ্ধাৰ শিখা বৰঠাকুৰ আৰু এজন ভাইটি ৰাতুল নাথ। আমাৰ টিম লিডাৰ শিখা বাইদেওৰ তত্ত্বাৱধানত আমাৰ এটা দীঘলীয়া যাত্ৰা সফল সমাপ্তি ঘটিল বুলিব পাৰি। দিল্লীৰ বতাহৰ আমেজ লৈ মনটো ভৰি পৰিল যদিও আমাৰ মূল যাত্ৰা শ্ৰীকেদাৰনাথলৈ গতিকে দিল্লীখন চোৱাৰ হেঁপাহ পিছৰ ফাললৈ ৰাখি দেৱভূমিৰ অভিমূখে আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ।

এয়াৰপৰ্টত আগতেই Vendor ৰ জৰিয়তে ঠিক কৰি ইন'ভা গাড়ীৰে আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ দিল্লীৰপৰা ঋষিকেষলৈ। গাড়ীৰ চালকে কোৱাৰ ধৰণে আমি প্ৰায় ৭-৮ ঘন্টা যাত্ৰাৰ পিছত আমি ঋষিকেষ পোৱাৰ কথা। যাত্ৰা ভাল লাগিছে। সহযাত্ৰীসকলৰো মনৰ ভিতৰত এক উৎসাহ। দিল্লীৰপৰা ঋষিকেষলৈ আমাৰ যাত্ৰা বৰ সুন্দৰভাৱে আৰম্ভ হ'ল। বিশেষকৈ নিয়ৰকণা আৰু লিপ্তিৰ লগতে ভাইটি ৰাতুলৰ উৎসাহত আমাৰ যাত্ৰা বৰ সুন্দৰকৈ আগবাঢ়িব ধৰিলে। প্ৰায় ৪ ঘন্টামান যোৱাৰ পিছত আমি এখন ৰেষ্টুৰেণ্টত দুপৰীয়া আহাৰ গ্ৰহণ কৰিলোঁ। ৰেষ্টুৰেণ্টখনৰ স্বত্বাধিকাৰী লগতে কৰ্মচাৰীসকল আছিল নেপালী সম্প্ৰদায়ৰ লোক। অত্যন্ত ডাঙৰ ৰেষ্টুৰেণ্টখন যথেষ্ট চাফচিকুণ আৰু লোকসকলৰ ব্যৱহাৰ আছিল অত্যন্ত মাৰ্জিত। প্ৰায় ৪৫ মিনিটমান সময় আমি খোৱাবোৱাৰ বাবে অতিবাহিত কৰিলোঁ। খোৱা-বোৱা শেষ কৰি আমি পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। আমি যাত্ৰা কৰাৰ পথত পাণ-তামোলৰ কোনো দোকান দেখিবলৈ নাপালোঁ। আমাৰ অসমত যেনেদৰে ৰাস্তাই-ঘাটে সৰু-সুৰা দোকান দেখা যায় কিন্তু আমি তেনেকুৱা দোকান দেখিবলৈ নাপালোঁ। তামোল অথবা পাণ এখন খোৱাৰ বৰকৈ ইচ্ছা আছিল যদিও কিন্তু সেইকণ সৌভাগ্য আমাৰ নহ'ল। ৰাস্তা-পদূলিবোৰ চাফা লগতে আহল-বহল। নতুন ঠাইৰ পৰিৱেশে মনটো একেবাৰে নষ্টালজিক কৰি তুলিছিল। মনত অপাৰ আনন্দ আৰু হেঁপাহ। প্ৰায় ৮-৯ ঘন্টা আমি গাড়ী (ইন'ভা)ৰে যাত্ৰা কৰি সন্ধিয়া প্ৰায় ৬-৬.৩০ বজাৰ ভিতৰত আগতীয়াকৈ বুকিং কৰি থোৱা ঋষিকেষৰ এখন আটক ধুনীয়া বিলাসী হোটেলত উপস্থিত হ'লোঁ। হোটেলখন একেবাৰে গংগাৰ পাৰতে আছিল । আচলতে আমাৰ লগত যোৱা শিখা বাইদেওয়ে গাড়ীৰ লগতে হোটেলত থকাৰ সকলো ব্যৱস্থা আগতিয়াকৈ ঠিক কৰি থৈছিল। কিয়নো তেখেতে বিভিন্ন দেশ-বিদেশ ভ্ৰমণ কৰাৰ অভিজ্ঞতা যথেষ্ট আছিল। এক কথাত ক'বলৈ গ'লে তেখেত আমাৰ সাহস আছিল। তেখেতৰ সাহসতে আমি ইমান দীঘলীয়া যাত্ৰা এটা কৰিবলৈ মৰসাহ কৰিছিলোঁ। হোটেলখন যথেষ্ট ধুনীয়া আৰু চাফা আছিল। অতিকৈ ভাললগা কথাটো হ'ল ঋষিকেষৰ মানুহবোৰ বৰ ভদ্ৰ আৰু অমায়িক আছিল। হোটেলখনত সোমায়েই আমি বৰ সুন্দৰ পৰিৱেশ এটাৰ সন্মুখীন হ'লোঁ। হোটেলখনৰ আতিথ্য দেখি আমি অভিভূত হ'লোঁ। হোটেলত সোমায়েই আমাৰ ফৰ্মেলিটিখিনি কৰি আজৰি হোৱাৰ পিছত আমাক চাকি-ধূপ আদি ধুনীয়াকৈ কাঁহী এখনত সজাই আমাক সকলোকে কঁপালত চন্দনৰ ফোঁট দি, একোডালকৈ তুলসীৰ মালা পিন্ধাই আমাক আতিথ্য কৰিলে। তেখেতসকল নেপালী সম্প্ৰদায়ৰ লোক বুলি জানিব পাৰিলোঁ। অতি ভদ্ৰ আৰু অমায়িক স্বভাৱৰ লোককেইজনৰ মুখত অনবৰতে আছিল এটি কোমল হাঁহি। সেই ঠাইৰ বিষয়ে আমি তেওঁলোকৰ মুখেৰে সবিশেষ জানিব পাৰি মনটো এক অজান আনন্দত উৎফুল্লিত হৈ পৰিল। কিছুপৰ আমি তেখেতসকলৰ লগত কথাবতৰা পাতি হোটেলৰ গাতে লাগি থকা গংগা নদীৰ পাৰত আমি থিয় হ'লোঁ। মনত অপাৰ আনন্দ। সন্ধিয়াৰ সময়। খৰস্ৰোতা গংগাৰ পাৰত থিয় হোৱাৰ লগে লগে এক মিঠা সমীৰণে মোৰ সৰ্বশৰীৰ জোকাৰি গ'ল। সময়খিনি মোৰ বাবে আছিল এটি জীয়া সপোন। খৰস্ৰোতা গংগানদীৰ পানীৰ শব্দই মনত তোলপাৰ লগালে। নদীৰ চাৰিওপিনে চকু ফুৰালোঁ। সেই সময়খিনিত নদীৰ চাৰিওপিনে চাকিৰ পোহৰে জিলিকাই তুলিছিল। সেই সময়খিনিত গংগা আৰতি আৰম্ভ হৈছিল। নদীখনৰ ইটোপাৰে থকা পৰমাৰ্থ মন্দিৰৰ ঘাটত আৰতি, ভজনে চৌপাশ ৰজনজনাই তুলিছিল। এক সম্পূৰ্ণ ভক্তিপূৰ্ণ পৰিৱেশ। মনটো জীপাল হৈ পৰিল। আকাশৰ বুকুত জোনটিৰ ফটফটীয়া পোহৰ লগতে গংগানদীৰ বুকুত অজস্ৰ চাকিৰ পোহৰে সমগ্ৰ পৰিৱেশটো মোৰ বাবে নষ্টালজিয়া হৈ পৰিছিল। মনটো অবুজ আনন্দই বিৰাজ কৰিছিল। অজানিতে ক'ব নোৱাৰাকৈয়ে মনটো আৱেগিক হৈ পৰিছিল। মনৰ আনন্দতে দুচকুৰে দুধাৰি চকুলো বৈ আহিছিল। ধৰ্মশাস্ত্ৰত উল্লেখ থকা গংগা মাৰ কাহিনীবোৰে মনত তোলপাৰ লগাইছিল। সঁচাকৈয়ে এক বুজাব নোৱাৰা অভিজ্ঞতাৰে সময়খিনি পাৰ কৰিছিলোঁ। তেনেসময়তে এগৰাকী প্ৰায় ৬০ৰ উৰ্ধৰ মহিলাই মোৰ ভণ্টিৰ হাতত কেইগছীমান চাকি আৰু ফুল দিলে। আমাৰ হাতত সেইসময়ত টকা নাছিল। কাৰণ আমাৰ পাৰ্চ হোটেলৰ কোঠাত আছিল। ভদ্ৰ মহিলাগৰাকীক ভণ্টিয়ে টকা দিব পৰা নাছিল। ভদ্ৰ মহিলাগৰাকীয়ে মিঠা হাঁহি এটা মাৰি হিন্দীয়ে ক'লে – "মাতা কি দ্বাৰ মে আয়ি হ', পেইচা আজ নেকি ত' কাল হ'গা, ক'য়ি বাত নেহি, বাদ মে দে দেনা। অভি দিয়া জ্বলা ল'। "আমি আচৰিত হৈ মহিলাগৰাকীলৈ চালোঁ। মহিলাগৰাকীয়ে কথাখিনি কৈ সেই ঠাই ত্যাগ কৰিলে। হিন্দীভাষী মহিলাগৰাকীৰ মুখত আছিল এটি মিঠা হাঁহি। আমি কিবা এটা কোৱাৰ আগতে মহিলাগৰাকীয়ে ইতিমধ্যে সেই ঠাই ত্যাগ কৰিলে। আমি আচৰিত হৈ পৰিলোঁ। মহিলাগৰাকীক পিছত আৰু সেই ঠাইত দেখা নাপালোঁ। সেই সময়ত সেই মহিলাগৰাকীৰ আচৰণে আজিও মনত সাচ বহুৱালে। তেখেতে ক'ৰপৰা আহিল, ক'লৈ গুচি গ'ল আমি আমি একো ধৰিবকে নোৱাৰিলোঁ। সন্ধিয়াৰপৰা মাজ নিশালৈ আমি গংগাৰ পাৰতে বহি কটালোঁ যদিও সেই মহিলাগৰাকীক আমি পিছত দেখিবলৈ নাপালোঁ। নদীৰ পাৰত সৰু সৰু দোকান। ঘন্টাৰ পিছত ঘন্টা আমি গংগাৰ পাৰতে বহি থাকিলোঁ। কাষত সৰু দোকান এখনত মাক আৰু দুজনী জীয়েকে মিলি চাহ, পৰঠা বিক্ৰী কৰি আছিল। আমি গংগাৰ পাৰতে বহি চাহ আৰু পৰঠাৰ সোৱাদ ল'লোঁ। মুকলি আকাশৰ তলত, খৰস্ৰোতা গংগাৰ নদীৰ সুৰসুৰণী, আমাৰ চাৰিওপিনে ভজনৰ শব্দ, পানীৰ মাজত মুকুতাৰ দৰে জিলিকি থকা চাকিৰ পোহৰত এক স্বৰ্গীয় অনুভূতিৰ অনুভৱ কৰিলোঁ। এক আধ্যাত্মিক পৰিৱেশেৰে গোটেই সময়খিনি বিলীন হৈ পৰিছিলোঁ। গংগাৰ পাৰত কটোৱা সেই নিশাটো আজিও কিবা এটা সপোন যেন অনুভৱ কৰোঁ। ৰাতি প্ৰায় ১২ মান বজাত হোটেলৰ কোঠালৈ আহিলোঁ কিয়নো পিছদিনা পুৱা প্ৰায় ৭ বজাতে পুনৰ যাত্ৰা আৰম্ভ হ'ব গৌৰীকুণ্ডলৈ। গতিকে গংগা পাৰত কটোৱা সেই নান্দনিক মুহূৰ্তখিনি আমি অনিচ্ছাকৃতভাৱে হ'লেও এৰিবলগীয়াত পৰিলোঁ।

**ম'বাইল ঃ** ৭৩৯৯৯-২৪৬৫৮

# ডিব্ৰুগড়ত উজনিৰ প্ৰথমখন মঞ্চ বিহুৰ সফল সামৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** প্ৰতি বছৰৰ দৰে এইবছৰো উজনিৰ প্ৰথমখন মঞ্চ বিহু ঐতিহ্যমণ্ডিত 'ডিব্ৰুগড় ৰঙালী বিহু' তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। উৎসৱটি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু পৰম্পৰাগত বিভিন্ন ধৰণৰ খেল-ধেমালি আৰু সাংস্কৃতিক কাৰ্যসূচীৰে বৰলুইতৰ পাৰৰ বাগ্মীবৰ নীলমনি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয় (পূৰ্বৰ জৰ্জ ইন্সটিটিউচন) খেলপথাৰত উদ্‌যাপন কৰা হয়। প্ৰথমদিনা কাৰ্যসূচীত পুৱাৰ ভাগত উদ্‌যাপন সমিতিৰ সভাপতি অনিল দুৱৰাই বিহু পতাকা উত্তোলন কৰাৰ লগে লগে বনগীতৰ সম্ৰাট উপাধি প্ৰাপক পদ্ম দাসৰ নেতৃত্বত অমৰাগুৰি গাঁৱৰ যুৱতী আৰু মহিলাসকলে পতাকা উত্তোলনৰ গীত 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছ্বৰ মধু আলোড়ন' -শীৰ্ষক গীতটি সমস্বৰে পৰিৱেশন কৰে। জেচিম আহমেদে আঁত ধৰা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে সমাজকৰ্মী অশোক দাসে। ইয়াৰ লগে লগে স্মৃতি তৰ্পণ স্থলীৰ কাষতে থকা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আৱক্ষয় মূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰি ডিব্ৰুগড় পৌৰনিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই উপস্থিত ৰাইজক হেপাঁহৰ ৰঙালী বিহুৰ শুভেচ্ছা জনাই তিনিদিনীয়া কাৰ্যসূচী সৰ্বাংগসুন্দৰকৈ অনুষ্ঠিত কৰিবলৈ উদ্‌যাপন সমিতিলৈ আহ্বান জনায়। বাগ্মীবৰ নীলমনি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰয়াত টংকেশ্বৰ বৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি তেখেতৰ পৰিয়ালে উচ্ছৰ্গা কৰা 'টংকেশ্বৰ বৰুৱা সোঁৱৰণী মণ্ডপ' উদ্বোধন কৰি প্ৰয়াত শিক্ষাবিদগৰাকীৰ একালৰ ছাত্ৰ তথা এই বিদ্যালয়ৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ চেহিৰ আহমেদে তেখেতৰ বিষয়ে কৰ্মৰাজিৰ বিষয়ে বক্তৃতা আগবঢ়াই শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে তেখেতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ চিৰযুগমীয়া কবিতাটি আবৃত্তি কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। বিহু মঞ্চ মুকলি কৰে অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ পদ্ম দাসে। ইয়াৰ পিছতে ডিব্ৰুগড় পৌৰনিগমৰ কাউন্সিলাৰ শ্ৰৱণ কুমাৰ দাসে উদ্বোধন কৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযত্ৰাত লেঙেৰী চাংমাই গাঁৱৰ হস্তী, বৰবৰুৱাৰ পৰা আমন্ত্ৰিত গায়ন-বায়ন, কেইবাটাও বিহুদলসহ প্ৰায় চাৰি শতাধিক লোকে অংশগ্ৰহণ কৰে। পুৱাৰ কাৰ্যসূচীত সকলোৰে লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে একালৰ খ্যাতনামা বিহুৱা দিলীপ দাস, অঁনাতাৰ শিল্পী মিৰ্জা নিয়ামুদ্দিন আহমেদ, চি, ডব্লিউ চি বিভাগৰ সহকাৰী সঞ্চালক দিলীপ বৰুৱা, সমাজকৰ্মী বালিৰাম দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী লেখনি দাস বৰুৱা, নীলাভ নয়ন বৰদলৈকে প্ৰমুখ্য কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। উদ্‌যাপন সমিতিয়ে শোভাযাত্ৰাৰ লগত সংগতি ৰাখি ডিব্ৰুগড় বন বিভাগৰ তৰফৰ পৰা বাটে-বাটে ৰাইজক গছপুলি বিতৰণ কাৰ্যসূচী পালন কৰে। ইয়াৰ পিছতে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। নিশালৈ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ব্ৰজেন ভূএগ্ৰাই। দ্বিতীয় নিশাৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা 'অসম আদিত্য' কাকতৰ মুখ্য সম্পাদক মনজিৎ বৰাই বিহুৰ ঐতিহ্য আৰু প্ৰকৃত পৰম্পৰা শুদ্ধকৈ জীয়াই ৰখাৰ বিষয়ে সুন্দৰ বক্তব্য আগবঢ়ায়। তেখেতৰ সৈতে উপস্থিত থাকে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপ-সভাপতি বিভাস দুৱৰা। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সম্পাদক ৰাতুল গোহাঁই, সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সভাপতি তনুজ হালৈৰ লগতে অবিনাশ দত্ত,পাপু শইকীয়া, আৰু দৌলত দাস উদ্‌যাপন সমিতিৰ নিমন্ত্ৰণ ৰক্ষা কৰি বিহুতলীত উপস্থিত থাকে। স্থানীয় শিল্পীসকলে তেওঁলোকৰ একক আৰু দলীয়ভাৱে অনুষ্ঠান পৰিৱেশন কৰে। অন্তিম দিনা বিহুৱতী, মৌ কুঁৱৰী, বিহুনাচ 'ক' আৰু 'খ' শাখা আৰু বিহুনাম, বনগীত আৰু সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, ঐতিহ্যমণ্ডিত ডিব্ৰুগড় বিহু উৎসৱ উদ্‌যাপন সমিতিয়ে প্ৰতিষ্ঠা কালৰেপৰা প্ৰতিবছৰে এই বিহুৰ লগত সংগতি ৰাখি কণী যুঁজ, টেকেলী ভঙা, ৰছী টনা, কুকুৰা যুঁজ আদিকে ধৰি বিভিন্ন ধৰণৰ অন্যান্য পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত কৰি আহিছে।

# বলিউডৰ জনপ্ৰিয় অভিনেত্ৰী ৰেণুকা চাহনীৰ সৈতে এক অন্তৰংগ আলাপ

হিন্দী ছবি, হিন্দী ধাৰাবাহিক আদিত বলিষ্ঠ অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী ৰেণুকা চাহনীৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল -

■ **বলিউডৰ ছবিজগতত আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল?**

**ৰেণুকা চাহানী ঃ** যেতিয়া মই কলেজত পঢ়ি আছিলোঁ সেই সময়ত নাটক এখন মনস্থ হৈছিল। Back Ground Music ত গান গাবৰ বাবে মোক আৰু মোৰ Best Friend ক মাতিছিল। তেতিয়া মোৰ নাটকৰ প্ৰতি এক আস্থা জাগিল আৰু যি মই কৰিব বিচাৰিছিলো সেয়া কৰিব পাৰিলো। ১৯৮৭ চনত গুলন কিপলানি আৰু জয়ন্ত কিপলানীয়ে পীসী আৰু মৌচী বুলি এখন ধাৰাবাহিক নিৰ্মাণ কৰিছিল তাত মোক অভিনয়ৰ বাবে নিমন্ত্ৰণ জনাইছিল। সেই ধাৰাবাহিকখনত মোৰ লগত জনপ্ৰিয় অভিনেত্ৰী ফৰিদা জালাল আৰু পংকজ বেৰীয়েও অভিনয় কৰিছিল। এই ধাৰাবাহিকখন পাঁচটা Episodeৰ ধাৰাবাহিক আছিল। ইয়াৰ পিছত মই চাৰ্কাছ বুলি এখন ধাৰাবাহিকত অভিনয় কৰিছিলোঁ। চাৰ্কাছ ধাৰাবাহিকখনৰ পৰিচালনা অজিত মিৰ্জাই কৰিছিল। চাৰ্কাছ ধাৰাবাহিকখনৰ শুটিঙৰ পিছত মই সুৰভি ধাৰাবাহিকখনৰ অফাৰ লাভ কৰো। মোৰ প্ৰথম ছবিখন হু হুসি হুসি লাল বুলি এখন গুজৰাটী ছবি আছিল। যত দিলীপ জোশী মোৰ ছবিৰ হিৰো আছিল আৰু পৰিচালনা সঞ্জীৱ শ্বাহে কৰিছিল। ইয়াৰ পিছত মই 'মণি' বুলি এখন তেলেগু ছবিত কাম কৰিছিলো। মোৰ প্ৰথম হিন্দী ছবি আছিল 'হম আপকে হে কৌন।' পৰিচালনা সুৰজ বৰজ্যাতাই কৰিছিল।

■ **অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন?**

**ৰেণুকা চাহানী ঃ** মোৰ দেউতাৰ নাম বিজয় চাহনে আৰু মাৰ নাম শান্তা গোখলে। মোৰ দেউতাই নৌ বিভাগত চাকৰি কৰিছিল আৰু মা কলেজত ইংৰাজী বিভাগৰ অধ্যাপিকা আছিল। মাৰাঠীত অনুবাদৰ বাবে তেওঁক সংগীত নাটক একাডেমীৰ পুৰস্কাৰ লাভ আৰু সাহিত্য একাডেমীৰ এৱাৰ্ডো লাভ কৰিছিল। মোৰ মায়ে ভাবিছিল যে মই PHD কৰাটো (হাঁহি)। আমাৰ পৰিয়ালত ছবিৰ বাবে কোনো Connection নাছিল। মই যেতিয়া অভিনয়তো নিৰ্বাচন কৰিছিলো তেতিয়া তেওঁলোকে কেৱল মোক Support কৰিছিল।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?**

**ৰেণুকা চাহানী ঃ** নতুন প্ৰজন্মৰ কোনো কথাই মোক চিন্তিত নকৰে। আপুনি নিজকে Update কৰাৰ সুযোগ দিয়াতো উচিত। শিকি থকাটো উচিত। নতুন প্ৰজন্মৰ পৰা মই অনেক কথা শিকিব পাৰো। আমি যি যুগত ডাঙৰ হৈছিলোঁ সেই সময়তো কম্পিউটাৰো নাছিল। টেলিভিছন পিছত আহিল, কম্পিউটাৰো পিছত আহিল। E-mail আদিতো বহুত পিছত আহিল। এই নতুন নতুন বস্তুবোৰ যে আহিছে এইবোৰ শিকিবলৈ মোৰ খুব মন যায়। মোৰ ল'ৰা-ছোৱালীৰ পৰা এইবোৰ মই শিকি থাকোঁ। কিন্তু আপুনি Constantly শিকিব লগা হয় নতুন নতুন বস্তুবোৰ।

■ **আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি?**

**ৰেণুকা চাহানী ঃ** মই সংগীত শুনি ভাল পাওঁ। সৰুতে মই শাস্ত্ৰীয় সংগীতৰ প্ৰশিক্ষণ লৈছিলোঁ। যেতিয়া মই কলেজ পালোঁগৈ তেতিয়া মই সময় নোপোৱা হ'লো। সাহিত্যৰ প্ৰতি মোৰ ৰুচি আছে। কিতাপ পঢ়ি মই ভাল পাওঁ।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাৱে নেকি?**

**ৰেণুকা চাহানী ঃ** একমাত্ৰ কাৰণ বুলি নামানো কিন্তু এটা অতি ডাঙৰ কাৰণ। সংস্কৃতিয়ে নিজৰ মূল্যক দৰ্শায়। ফাউণ্ডেশ্যন হোৱাটো অতি প্ৰয়োজনীয়। সংস্কৃতিৰ দ্বাৰা যি পোৱা যায় সেয়া অত্যন্ত প্ৰয়োজনীয়। বিকাশত শিক্ষাৰো অনেক সহযোগিতা আছে। জীৱনৰ অংশ হিচাপে পৃথিৱীৰ যিকোনো বস্তু আপুনি শিকিব পাৰে। Not Education But Open Mind.

■ **প্ৰত্যেক অভিনেত্ৰীৰ এক নিজস্ব অভিনয় ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে?**

**ৰেণুকা চাহানী ঃ** মই Formally Train অভিনেত্ৰী নহয়। যি মই শিকোঁ সেয়া নিজৰ অনুভৱৰ পৰা শিকোঁ। Set ত গৈ শিকোঁ, নিজৰ Director পৰা শিকোঁ, নিজৰ Co- Actor পৰা বেছি শিকোঁ। যি পঢ়া শুনা কৰো, বিকাশ যি হয় সেয়া অনুভৱৰ দ্বাৰাই হয়। যিকোনো অভিনেত্ৰীৰ বাবে দেখা, শুনা, Obserb কৰা, বেলেগ এজনক দেখা, ইয়াৰ দ্বাৰা নিজৰ অভিনয়ক আৰু বেছি ভাল কৰিব পৰা যায়। যিমান মই নেচাৰেলি অভিনয় কৰিব পাৰোঁ সেয়াই মোৰ প্ৰয়াস। এনেকুৱা হ'ব নালাগে যে মই অভিনয় কৰিছোঁ। বিভিন্ন ক্ষেত্ৰত মই নিজৰ পৰিচালকৰ ওপৰত নিৰ্ভৰ কৰো।

■ **অভিনেত্ৰী নোহোৱা হ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন?**

**ৰেণুকা চাহানী ঃ** নিশ্চয়কৈ Scicologist হ'লোহেঁতেন চাগৈ। মই University Of মুম্বাইৰ পৰা Scicology পঢ়িছিলোঁ।

■ **আপোনাৰ প্ৰিয় খাদ্য?**

**ৰেণুকা চাহানী ঃ** মই নিৰামিষহাৰী। ঘৰৰ খাদ্য খাই বেছি ভাল পাওঁ। মাৰ হাতৰ খাদ্য খাই মই বেছি ভাল পাওঁ (হাঁহি)। আমাৰ ঘৰত শুদ্ধ নিৰামিষ খাদ্য তৈয়াৰ হয়। ৰুটি, দালি আৰু ভাত খাই মই ভাল পাওঁ।

■ **আপোনাৰ প্ৰিয় ৰং?**

**ৰেণুকা চাহানী ঃ** মই সেউজীয়া আৰু হালধীয়া ৰং ভাল পাওঁ।

■ **আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন?**

**ৰেণুকা চাহানী ঃ** হিন্দী ছবি জগতৰ নুতন আৰু ৱাহিদা ৰহমান মোৰ প্ৰিয় অভিনেত্ৰী আৰু দিলীপ কুমাৰক মই মোৰ আদৰ্শ হিচাপে মানো। বলৰাজ চাহনী মোৰ প্ৰিয় অভিনেতা।

■ **অসমীয়া ছবিত অভিনয় কৰিবলৈ আপুনি আগ্ৰহীনে?**

**ৰেণুকা চাহানী ঃ** মই খুব ভাল পাম অসমীয়া ছবিত অভিনয় কৰিবলৈ। কিন্তু আৰম্ভ কৰিছিলো গুজৰাটী ছবিৰ দ্বাৰা, তাৰপিছত তেলেগু ছবিত অভিনয় কৰিছিলো। বেলেগ বেলেগ ভাষাত অভিনয় কৰাৰ যদি সুযোগ লাভ কৰোঁ তেতিয়াহ'লে সেয়া মোৰ বাবে সৌভাগ্যৰ কথা হৈ পৰিব। মোক ভাষাৰ প্ৰশিক্ষণ খুব বেছি দিব লাগিব।



■ **আপোনাৰ স্বামী তথা পাৰিবাৰিক জীৱনৰ বিষয়ে অলপ কওঁকচোন? আপোনাৰ স্বামীয়ে আপোনাৰ অভিনয় জীৱনত কেনেকৈ উৎসাহ যোগায়?**

**ৰেণুকা চাহানী ঃ** মোৰ স্বামীৰ ব্যক্তিত্ব দেশ আৰু বিদেশলৈকে ব্যাপ্ত হৈ আছে। মইও তেওঁৰ অতি ডাঙৰ ফেন। আমাৰ বৈবাহিক জীৱন খুবেই সুন্দৰ। এই মে' মাহত আমাৰ বিয়াৰ ২৪ বছৰ হৈ যাব। তেওঁ অভিনেতা বাবে খুব বেছি Share কৰিব পাৰে। মোৰ স্বামী আৰু মই আমাৰ দুটি সন্তান। মোৰ স্বামীৰ ঘৰ মধ্যপ্ৰদেশ ৰাজ্যৰ নৰসিংহপুৰ জিলাৰ গাদৰৱালা গাঁৱত। তেওঁ NSD ৰ পৰা প্ৰশিক্ষণ লোৱা।

■ **আপোনাৰ আদৰ্শ ব্যক্তি?**

**ৰেণুকা চাহানী ঃ** মোৰ মায়েই মোৰ আদৰ্শ। যি নেকি আমাক লালন পালন কৰি ইমান ডাঙৰ দীঘল কৰিলে।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত?**

**ৰেণুকা চাহানী ঃ** প্ৰতিটো Movement যি আমি পাইছোঁ, সেয়া আশীৰ্বাদ স্বৰূপে আমি লাভ কৰিছোঁ। খুবেই যোগাত্মক জীৱনৰ প্ৰতি মোৰ দৃষ্টিভংগী। প্ৰতিটো বস্তুকে মই ধন্যবাদ দিব বিচাৰোঁ। I am Literly Thankfull.

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
ম'বাইল ঃ ৮৪৭৪০-৯৩১৬৮

# ছপা মাধ্যমৰ সাংবাদিকৰ নতুন সংগঠন 'নগাঁও প্ৰিন্ট মিডিয়া' গঠন

## কাকতৰ প্ৰচলন বিভিন্ন কাৰণত হ্ৰাস পালেও গুৰুত্ব কমা নাই

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও সদৰস্থ ছপা মাধ্যমৰ সাংবাদিকসকলক একত্ৰিত কৰাৰ উদ্দেশ্যৰে আৰু শেহতীয়াকৈ ছপা মাধ্যমৰ প্ৰতি অহা বিভিন্ন ধৰণৰ জটিলতাক প্ৰতিহত কৰাৰ বাবে নগাঁও সদৰস্থ বিভিন্ন ছপা মাধ্যমৰ সাংবাদিকসকল একত্ৰিত হৈ এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। নগাঁও চহৰৰ নেহৰু যুৱক কেন্দ্ৰৰ সভাগৃহত জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাৰ পৌৰহিত্যত অনুষ্ঠিত সভাত নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জীতেন বৰকটকী জ্যেষ্ঠ সাংবাদিক শৈলেন শইকীয়া, জ্যেষ্ঠ সাংবাদিক হেমেন কুমাৰ দাস, অজয় মাহাতু, অসীম কুমাৰ ভাৱাল, মুকুলী বৰুৱা, ছফিকুৰ ৰহমান, হৰেশ্বৰ বৰা, ভাস্কৰ জ্যোতি মেধি আদিয়ে ছপা মাধ্য মৰ সাংবাদিকে সন্মুখীন হোৱা সমস্যাৰ বিষয়ে উল্লেখ কৰে। নগাঁও প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি যাদৱ শইকীয়া, প্ৰাক্তন সাধাৰণ সম্পাদক পলাশ প্ৰতীম হাজৰিকা, ফাইজুৰ ৰহমান, মিজু বৰা সুনীল ৰায়কে প্ৰমুখ্যে কৰি নগাঁও সদৰস্থ ছপা মাধ্যমৰ প্ৰায় সকলো সাংবাদিক উপস্থিত থকা সভাখনতে নগাঁৱৰ জ্যেষ্ঠ সাংবাদিকসকলক আহ্বায়ক মণ্ডলীৰ তৰফৰ পৰা এখনি বিহুৱানেৰে সম্বৰ্ধনা জনোৱা হয়। সভাখনি সামগ্ৰিক ভাৱে আঁত ধৰাৰ লগতে সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে অন্যতম আহ্বায়ক চন্দন জ্যোতি বৰাই। এই সভাখনত ছপা মাধ্যমৰ নগাঁও সদৰস্থ সাংবাদিক সকলক সামৰি 'নগাঁও প্ৰিন্ট মিডিয়া' নামৰ এক সাংবাদিক সংগঠন গঠন কৰি এখন তদৰ্থ কমিটি গঠনৰ প্ৰস্তাৱ লোৱা হয়। সেই অনুসৰি জ্যেষ্ঠ সাংবাদিক যাদৱ শইকীয়া, শৈলেন শইকীয়া, অসীম ভাৱাল, গুৰমাইল সিং,জিতেন বৰকটকী, পলাশপ্ৰতীম হাজৰিকা, অজিত মহেশ্বৰী, বৈদ্যনাথ শ্বাহানী, ছফিকুৰ ৰহমান আৰু ফাইজুৰ ৰহমানক উপদেষ্টা, কনক হাজৰিকাক সভাপতি, হেমেন কুমাৰ দাসক কাৰ্যকৰী সভাপতি, মুকুলী বৰুৱা, অজয় মাহাতু, হৰেশ্বৰ বৰা আৰু বিৰিঞ্চি ডেকাক উপ সভাপতি, চন্দনজ্যোতি বৰা আৰু নাজিম উদ্দিন আহমেদক যুটীয়া সম্পাদক হিচাপে লৈ নগাঁও প্ৰিন্ট মিডিয়াৰ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# নগাঁৱৰ ৰূপহীহাটৰ ধাবাত সুৰাৰ ৰমৰমীয়া বেহা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ৰূপহীহাটৰ কেবাখনো ধাবাত সুৰাৰ ৰমৰমীয়া বেহা চলি থকাৰ গুৰুতৰ অভিযোগ উঠিছে। বিশেষকৈ নগাঁও - ৰূপহীহাট - লাওখোৱা পথৰ দাতিৰ ওঁ-অনা আৰু ভকতগাঁৱৰ মাজত থকা দুখন মান ধাবাত সুৰাৰ ব্যৱসায়ৰ লগতে যুৱক-যুৱতীৰ আড্ডা স্থলীলৈ ৰূপান্তৰিত হৈছে। দুই এখনত অসামাজিক কাম কাজ চলাৰ অভিযোগ উঠিছে। কেইটামানৰ পূৰ্বে ওঁ-অনাৰ ওচৰৰ এখন ধাবাত আৰক্ষীয়ে এনে অভিযোগৰ ভিত্তিত অভিযান চলাইছিল। অৱশ্যে আৰক্ষী অহাৰ উমান পাই ধাবাত থকা দুগৰাকী যুৱতী সহ যুৱক পলায়ন কৰে। ঠিক একেই অভিযোগ উঠিছে ৰূপহীহাটৰ ভকতগাঁৱৰ ওচৰত থকা নিউ বিউটিফুল ৰেষ্টুৰেণ্ট নামৰ এখন ধাবাৰ বিৰুদ্ধে। প্ৰাপ্ত অভিযোগ মতে এই ধাবাখনত সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ লগতে একাংশ যুৱক যুৱতীক সঘনাই দেখা পোৱা যায়। এই যুৱক-যুৱতীসকল অসামাজিক কাম কাজত জড়িত হোৱাৰ অভিযোগ আছে। এই সন্দৰ্ভত সচেতন লোকে আৰক্ষীক অভিযোগ দিছে যদিও আৰক্ষীয়ে বিশেষ পদক্ষেপ গ্ৰহণ নকৰে। সচেতন মহলে এই ক্ষেত্ৰত আৰক্ষীক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## সৰু চৰাই

**বিপুল চন্দ্ৰ কলিতা**

অ' সৰু চৰাই, তই মোৰ বুকুত এবাৰ চৰি চা;
দুখৰ পৰুৱা ঠোঁটত লৈ
হিঁয়াৰ ঘাঁবোৰ এবাৰলে শুকাবলৈ এৰি থৈ যা।

এলান্ধুকলীয়া ৰাতিত
চক খাই উঠে
পোহৰ সন্ধানী সময়;
চহৰ অথবা গাঁও
যিয়েই নহওঁক
পোৰে
কোমল বুকুৰ চুক কোণ।

অ সৰু চৰাই, তই স্বাধীনভাৱেই উৰি থাক;
চহৰতো উৰ
গাঁৱতো উৰ
উৰি উৰি কৈ যা
উৰণৰ স্বাধীনতাৰেই উৰে
চৰাইৰ জাক।

অহংকাৰ কাৰ নাই?
সততাৰো থাকে অহংকাৰ;
নকল ওঁঠৰ ভেমত নাথাকে সংস্কাৰ,
মোৰ খং
অলংকাৰৰ দৰে
এক বিশুদ্ধ অহংকাৰেই
অশান্তিত তৃপ্তসকলৰ আনন্দৰ সমল।

অ সৰু চৰাই, তই কুটি কুটি খা
মোৰ দুখবোৰ,
দোষৰ উৎসবোৰ,
স্বপ্নৰ দেৱালয়ত গজা শেলুৱৈবোৰ...।

## তোমাৰ বাবে এটি কবিতা

**ফুকন কৈৱৰ্ত,** ৰামপুৰ

তুমি দুখ পাব খুজিলেই
দুহাত ধৰি আজুৰিম মোৰ কাষৰত,
ওচৰ চপাই আনিম তোমাৰ হুমুনিয়াহ,
সমাজপ্ৰাণ জীৱনৰ মেটমৰা সম্ভাৰত
তুমি হৈ পৰিবা মোৰ যৌৱনৰ কেঁচা ৰং।
তুমি মোৰ জীৱনৰ বসন্ত হৈ পৰিবা
লাহে লাহে মনে মনে সংগোপনে।
খৰালিৰ হৃদয়খনত তুমি এজাক বৰষুণ হোৱা
সপোনৰ, হেঁপাহৰ আৰু এজাক পোহৰৰ।
তোমাৰ প্ৰশ্নবোৰৰ সমিধান দিবলৈ
মই যে তোমাৰ দেৱব্ৰত শান্তনু নন্দন,
তুমি বাৰে বাৰে খেপিয়াই চোৱা মোক নখদৰ্পণত,
জুকিয়াই চোৱা তুমি মোৰ মই তোমাৰ আৰু.....।
সৰগৰ পৰী হৈ তুমি উজ্জ্বলোৱাৰ সংকল্প লোৱা
মোৰ, তোমাৰ, মৰমৰ আৰু প্ৰতি প্ৰভাতৰ।
তুমি মোক বিশ্বাস কৰিব পাৰা
সন্তৰ্পনে, একান্তমনে, একাগ্ৰচিত্তে।
মোৰ বাবে তোমাৰ উপহাৰৰ টোপোলাত
বছৰটোৰেই বিশেষ হৈ ৰ'ল
তুমি অহাৰ সুবাদত আৰু
অন্তৰৰ সুকীয়া ভাৱত।
তুমিতো কল্পনাই কৰা নাছিলা কিজানি
ইমান দূৰৰ সম্পৰ্কই কেনেকৈ
ওচৰ চাপিব পাৰে ইমান সহজতে,
সপোনৰ খিলখিলনিত
দুৱাৰ মুকলি কৰিব পাৰে
প্ৰেমৰ,আড়ম্বৰপূৰ্ণ এক মনোৰম মৰমৰ,
আশ্বাস আৰু বিশ্বাসৰ তুলাচনীত
তুমি মোৰ কিম্বা মই তোমাৰ,
জুয়ে পোৰা সোণ অথবা কুন্দত কটা
আজীৱন প্ৰেমৰ, নিভাঁজ ভাষাৰ।

**ম'বাইল ঃ** ৯৬১৩৪-৯১৪৮৯

## গ্ৰন্থ উন্মোচনৰ সভালৈ গৈছিলোঁ

**নাছিৰ আহমেদ,**
শিমলাবাৰী, গোৱালপাৰা

গ্ৰন্থ উন্মোচনৰ সভালৈ গৈছিলোঁ
নহয়, নহয়
বৈদিক পূজা-অৰ্চনাৰ সভালৈ গৈছিলোঁ।
বৈদিক সংস্কৃত শ্লোকেৰে আৰম্ভ হ'ল বন্তিপ্ৰজ্বলন-
তাৰ পিছত বিঘ্ন নাশক শনি পূজাৰ মহা আয়োজন,
আৰম্ভ হ'ল গুৰু বন্দনা, পিতৃ-মাতৃসেৱন,
গুৰু-গম্ভীৰ বেদৰ মন্ত্ৰেৰে অনুষ্ঠানটি ৰজন জনাই গ'ল।
সত্ৰীয়া নৃত্যও পৰিৱেশন হ'ল
সংস্কৃত শ্লোকৰ ছন্দে ছন্দে, তালে তালে।
অসমীয়া কাব্য গ্ৰন্থৰ সভাত
হিন্দুত্ববাদী সংস্কাৰৰ মহা পয়োভৰ।
কেৱল একঘেয়ামী, বৈচিত্ৰ্যহীন লোকনৃত্য প্ৰদৰ্শন
আৰু অন্তঃসাৰশূন্য গ্ৰন্থ উন্মোচন।

তাৰ বাবে তুমি দুখ নকৰিবা, বন্ধু
তাৰ বাবে, তুমি ক্ষোভত ফাটি নপৰিবা।
আহা আমি আগবাঢ়ি যাওঁ হাতে হাত ধৰি
সাহিত্যৰ বেপাৰী সকলৰ পৰা আজুৰি আনোঁ
হৃদয়ৰ ৰং সানি সৃষ্টি কৰা আমাৰ শিল্প-কৰ্ম।
নিৰপেক্ষতাৰ ৰক্ষা কবচ পিন্ধি
আলফুলকৈ আৱৰি ৰাখোঁ আমাৰ কাব্য-গ্ৰন্থ।
আমাৰ সৃষ্টিৰাজি যাতে নিৰ্মাণ নকৰে
কোনো ধৰ্মান্ধ শাসকৰ ধৰ্মীয় চেতনাৰ স্তম্ভ বা
চৰকাৰী শাসন-যন্ত্ৰৰ শাণিত তৰোৱাল।

আমাৰ কাপেৰে নিগৰি পৰক
ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ
শুৱলা, সুফলা অসমীয়া আইৰ
ভাষা জগত সভালৈ যায়,
অম্বিকাগিৰী ৰায়চৌধুৰী,
প্ৰসন্নলাল চৌধুৰী আৰু
কমলা কান্ত ভট্টাচাৰ্যৰ দেশ
মাতৃৰ শৃংখল ভঙাৰ গান,
জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আৰু
ভূপেন হাজৰিকাৰ জাতীয়তাবাদৰ
পৰা আন্তৰ্জাতিকতাৰ মহা-সভালৈ লৈ যাওঁ
অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ
বাৰেৰহণীয়া ৰূপ, ৰং, ৰস আৰু সৌন্দৰ্য।
আমাৰ কবিতা হওক
মানুহৰ বাবে মানুহৰ গান
মানুহৰ বাবে মানুহৰ গান।

**ম'বাইল ঃ** ৯১০১৪-৬৫৮০৫

## শব্দহীন অনুভৱৰ মায়াজাল

**নাচিমা য়াচমিন**
বিশ্বনাথ চাৰিআলি

কিমান অপূৰ্ব এই অনুভৱ;
কাৰোবাক নিজৰ মৰমৰ আকৰ্ষণত
আবদ্ধ কৰা,
যেন বিখণ্ডিত জ্যোতিয়ে
আকাশৰ আদৰণি লাভ কৰা।

কিমান মোহনীয় সেই মুহূৰ্ত
অপহৃত এটি দৃষ্টি হৃদয়লৈকে
প্ৰৱাহিত হোৱা।
কেতিয়াবা গুপ্ত দৃষ্টি নিক্ষেপ,
কেতিয়াবা মাত্ৰ অনুভূতিৰে উপলব্ধি।
কেতিয়াবা দূৰত্বত লুকাই
হাঁহিৰ কোমলতা বিস্তাৰ,
যেন এটি গুপ্ত গাঁঠি,
কেৱল নেত্ৰজ্যোতিত
লিখিত হৈ থকা।

**ম'বাইল ঃ** ৭০৯৯৩-৮৯৭৫৫

**বিষাদৰ অনুভূতি**

**মৃদুলা বৰুৱা,** তেজপুৰ

কেতিয়াবা
মনৰ অনুভূতিবোৰ শিল হৈ পৰে
বুজাব নোৱাৰি
বুজিবও নোৱাৰি
হৃদয়ে মাথোঁ কঢ়িয়াই ফুৰে
দুখৰ চকুপানী,
স্মৃতিবোৰ বৈ আহে
বিষাদৰ ঢল হৈ
কলিজাৰ কোণত থিতাপি লয়,
য'ত সপোনবোৰে বাস কৰিছিল
তাহানিতে...।

## জীয়া ছবি

**মৰমী আহমেদ,** নলবাৰী

শিল্পীৰ নিপুণ হাতৰ পৰশে
জগাই তুলিছে জীয়া শৰীৰৰ সৈতে
এটি আত্মাৰ মিঠা হাঁহি
ড্ৰয়িং ৰূমত ওলমি থকা উকা কেনভাঁচত
তুলিকাৰ বোলেৰে আঁকি উলিয়াইছে
শিল্পী মনৰ কাল্পনিক স্থিতি
নানা বৰণীয়া অনুভৱৰ সূতাৰে
শিল্পী মনে গোটাইছে
জীৱন্ত উশাহৰ যত্নশীল স্ফূৰ্তি
কলা-বগা, ৰঙা-হালধীয়া
নীলা-সেউজীয়াৰ মিশ্ৰণে
বৰকৈ হাঁহি দিছে তুলিকাৰ সাহস দেখি
মনৰ মাজতে ঘূৰি ফুৰা কল্পনাবোৰে
বাৰে বাৰে আহি
বুকুত খুন্দিয়াইছে তাক জীৱন্ত
সুন্দৰ আৰু সাৱলীল ৰূপত
জীয়াই তুলিবলৈ
অন্তৰৰ ভিতৰতে খলকনি লগাই থকা
শিল্পীসুলভ চিন্তনৰীতিয়েও সোঁৱৰাই দিছে
নিমজ হাতৰ লিহিৰি আঙুলিৰ ফাঁকেৰে
ওলাই অহা সুপ্ত প্ৰতিভাৰ
অপূৰ্ব চানেকি
লুপ্ত কল্পনাৰ ভাষিক শৈলীৰে নামাংকিত
নিপুণ হাতৰ অদ্ভুত কৌশলেৰে অংকিত
লগতে অনুভূত শিল্পী মনৰ
অসীম আগ্ৰহেৰে অলংকৃত
এয়াই এখনি বাস্তৱ অথচ
কল্পনাৰ জীয়া ছবি
শিল্পী তুমি অনন্য
শিল্পী তোমাৰ প্ৰতিভা অভূতপূৰ্ব।

## কৰবাত

**নয়ন মণি মিশ্ৰ**
নগাঁও, অসম

অস্তমিত বেলিৰ সৈতে
ক'ৰবাত যাম বুলি
ভাবিছিলো,
য'ত পাহাৰবোৰ নীলা
আকাশ হালধীয়া
নৈ-ৰ প্ৰৱাহত জীৱনৰ উন্মাদনাবোৰ
প্ৰৱাহিত
য'ত মানুহ পূজিত,
নাৰীৰ সংজ্ঞা কেৱল দেৱী।
তেনেকুৱা
ঠাই এখনত যাম বুলি ভাবিও
যোৱা নহ'ল,
কিন্তু কিয়
নিজেই নিজক বাৰম্বাৰ সুধিলো-
কোনো
উত্তৰ নাপালোঁ।

**ম'বাইল ঃ** ৮৪০৩৮-৪১৬১৭

## তুমি ব'হাগ হৈ আহিবা

**আয়শা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা, বৰপেটা

শুনাচোন....
তুমি ব'হাগ হৈ আহিবা মোৰ
এই শুকান খৰাং জীৱনত
তোমাৰ প্ৰথম স্পৰ্শত
যেন জীপাল হৈ উঠে মনটো
যেনেকৈ বসন্তৰ প্ৰথমজাক
বৰষুণৰ স্পৰ্শত ভূ জী উঠে।

তুমি আহিবা ব'হাগ হৈ
মোৰ সৌন্দৰ্যহীন জীৱনত
তোমাৰ ৰঙত ৰঙীণ কৰি
ৰঙচুৱা কৰি তুলিবলৈ
যেনেকৈ কৃষ্ণচূড়াৰ ৰঙ পাই
ধৰা ৰঙীণ হৈ উলাহত নাচে।

তুমি ব'হাগ হৈ আহিবা
আশাহীন মোৰ এই জীৱনত
আগুৱাই যোৱাৰ সাহস গোটাই
জীৱন জীয়াৰ সপোন চিনাবা
যেনেকৈ বসন্তৰ আগমণে
প্ৰকৃতিয়ে নতুন আশা বুনে।

তুমি আহিবা ব'হাগ হৈ
শান্তিহীন এই অশান্ত জীৱনত
তোমাৰ কথাৰ মধুৰ্যই শান্ত কৰিব
যেনেকৈ বসন্তৰ বতৰা পাই
পৃথিৱীয়ে উগ্ৰতা ৰূপ এৰি
সবতে শান্তিৰ বা বিলাই ফুৰে।

**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

## অভিমান

**বিনিময় দাস**
ইটাচালি, নগাঁও

অভিমানেৰে বেগ ভৰ্তি কৰি লৈ
গুচি গৈছা বহু দূৰত তুমি,
জুমি চোৱা দূৰৰ পৰাই মোৰ হৃদয়ত এবাৰ,
পাবা তাত এক বিশাল মৰুভূমি।
মই থাকো মৰুভূমিৰ উৎস সন্ধানত ব্যস্ত,
আৰু তুমি-
মাজভাগত প্ৰাচীৰ গঢ় দিয়াত,
এসময়ত মই অসফল হওঁ
প্ৰাচীৰৰ উচ্চতা মানুহ প্ৰমাণ হোৱাত।
আজি মোৰ একো নাই-
আছে কেৱল সহ্যৰ হাতিয়াৰ বাকি,
যাৰ সহায় লৈ তোমাক চোৱাৰ হেঁপাহেৰে
প্ৰাচীৰত তৈয়াৰ কৰি যাওঁ খিৰিকি।

**ম'বাইল ঃ** ৯৪৩৫৫-৩৭৫৯১

## সেউজীয়া

**মানসী শৰ্মা**
দেওমৰনৈ স্নাতক মহাবিদ্যালয়

সেউজীয়া সেউজীয়া কি যে মধুৰ
মাজে মাজে সেই ৰং বোৰ
ৰঙা, নীলা, হালধীয়া, বেঙুনীয়া
আৰু কত কি যে নাই,
যেতিয়াই দেখো তেতিয়াই
দেহ, মন জুৰ পৰি যায়।
কেতিয়াবা মন যায়
সেইবোৰৰ মাজত
উটি ভাঁহি ফুৰিবলৈ,
ময়ো যদি এটা ৰং হৈ
ফুলি থাকিলোহেঁতেন।
সেই সেউজীয়া গছবোৰৰ মাজত
এপাহ ফুল হৈ।

প্ৰথম পৃষ্ঠাৰ পৰা

## পেহেলগাম ট্ৰেজেদি ঃ সন্ত্ৰাসবাদী

সৈতে হিন্দী ভাষাত কথা পাতিছিল। পৰ্যটকৰ পোছাক খুলি দলটোৱে ধৰ্ম পৰীক্ষা কৰা বুলিও সূত্ৰই প্ৰকাশ কৰিছে। ইফালে ঘটনা সংঘটিত কৰিয়ে উক্ত স্থানৰ পৰা পলায়ন কৰিছিল সন্ত্ৰাসবাদীৰ দলটোৱে। উল্লেখ্য যে, দা ৰেচিচিটেন্স ফ্ৰ'ন্ট নামৰ পাক-সন্ত্ৰাসবাদী সংগঠনটোৱে এই ঘটনাৰ দায়িত্ব স্বীকাৰ কৰিছে। এই দলটো লস্কৰ-ঈ-তৈবাৰ ভগ্নী সংগঠন। ইতিমধ্যে প্ৰধানমন্ত্ৰীৰ নিৰ্দেশত শ্ৰীনগৰত উপস্থিত হৈছে গৃহমন্ত্ৰী অমিত শ্বাহ। এই ঘটনাত শোক প্ৰকাশ কৰিছে মাৰ্কিন উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে। তেওঁ ইনষ্টাগ্ৰামত এটা পোষ্ট দি নিহতসকললৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছে। লগতে এই আক্ৰমণক অত্যন্ত মৰ্মান্তিক বুলি অভিহিত কৰিছে। ইফালে দেশৰ প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কাণ্ডৰ সম্পূৰ্ণ প্ৰত্যুত্তৰ দিয়া হ'ব বুলি হুংকাৰ দিয়ে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়- পাকিস্তানৰ বৰ্বৰতাৰ প্ৰতিশোধ ল'বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভগৱানে শক্তি দিয়ক। '৩-৪ জন মানুহে আমাক আক্ৰমণ কৰিছিল। মই তেওঁলোকক কৈছিলো তোমালোকে মোৰ স্বামীক মাৰিলা, মোকো মাৰা।' সিঁহতি কৈছিল -'তোমাক মাৰিব নোৱাৰো। যোৱা আৰু মোদীক কোৱাগৈ', জম্মু-কাশ্মীৰত চকুৰ সন্মুখতে স্বামীক হত্যা কৰাৰ পিছতে পত্নীৰ এই শিহৰণকাৰী মন্তব্য।

## ইংলেণ্ডৰ নিউকাছলত ৰঙালী বিহু

অতিথি আহিছিল। চিনেমাখনৰ নায়কৰ চৰিত্ৰত অভিনয় কৰা পাৰ্থপ্ৰতীম হাজৰিকাৰ শাহুৰেক মেৰী ফ্ৰান্সৰ পৰা আহি ছবিখন উপভোগ কৰে। অনুষ্ঠানটোৰ বিশেষ অতিথি হিচাপে উপস্থিত আছিল ইংলেণ্ডৰ টিম মেৰণ আৰু ডেৱা মেৰণ। ছবিখনে সকলো দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলাৰ পাছত আৰু কেইবাটাও আকৰ্ষণীয় অনুষ্ঠান অনুষ্ঠিত হয়। বাঙালী মহিলা কৰবী চৌধুৰীয়ে জুবিনৰ বিহু গীতৰ তালে তালে নাচিলে। এই অনুষ্ঠানটিৰ সৈতে কেইবাগৰাকী কণমানি জড়িত হৈছিল। যিহেতু বিহুৰ সৈতে পঞ্জাৱৰ বৈশাখীৰো এক সম্পৰ্ক আছে। সেয়েহে উক্ত অনুষ্ঠানতে বৃন্দা বৰা নামৰ কণমানিয়ে ভাংৰা নৃত্য প্ৰদৰ্শন কৰে। ইয়াৰ পিছতেই পাঁচবছৰীয়া টিয়ানাই বিহুনাচ প্ৰদৰ্শন কৰে। চৈধ্যবছৰীয়া নিয়ৰে বাঁহী বজোৱাৰ লগতে আৰুশে পিয়ানোত 'অ' মোৰ আপোনাৰ দেশ'ৰ লহৰ তোলে। সমগ্ৰ সাংস্কৃতিক অনুষ্ঠানটোৰ মূল পৰিকল্পনা আছিল ডাঃ ভাস্কৰ দত্তৰ। সেই অনুসৰি এটাৰ পাছত এটাকৈ গীত পৰিৱেশন কৰি বিভিন্নজনে অনুষ্ঠানটো জীপাল কৰি তোলে। ইয়াৰ ভিতৰত তামালী চক্ৰতীয়ে বাংলা গীত, প্ৰাৰ্থনাই বিহুনাচ, আন এজন বাঙালী নাগৰিক বিশ্বজিৎ চক্ৰৱতীয়ে চাৰিটাকৈ বিহুগীত গাই সকলোকে মন্ত্ৰমুগ্ধ কৰে। বিশেষকৈ মাৰাঠী দম্পত্তি ডাঃ সঞ্জয় আৰু ডাঃ সবিতাই ফুল ফুলিছে বসন্ত পৰিৱেশন কৰি অনুষ্ঠানটো সোণত সুৱগা চ'ৰা কৰি তোলে। অনুষ্ঠানটোৰ আটাইতকৈ ভাল লগা দিশটো আছিল স্কটলেণ্ডৰ চিকিৎসক ডাঃ ক্ৰেইগ নানে পৰিৱেশন কৰা সেই আপুৰুগীয়া অসমীয়া গীতটো। সুধাকণ্ঠৰ মানুহে মানুহৰ বাবে গীতটো তেওঁ পৰিৱেশন কৰাৰ লগতে ইয়াৰ তাৎপৰ্য দাঙি ধৰি অনুষ্ঠানটো গান্তৰ্যপূৰ্ণ কৰি তোলে। আনহাতে ডাঃ ভাস্কৰ দত্তই দ্বীপেন বৰুৱাৰ 'গা গা আজি গাই যা' -শীৰ্ষক গীতটো পৰিৱেশন কৰে। তেওঁৰ গীতৰ তালে তালে নৃত্য পৰিৱেশন কৰে সহধৰ্মিনী পল্লবী ভূএগকে ধৰি সমূহ দৰ্শকে। সকলোৱে তেওঁৰ যাদুকৰী সুৰত মুগ্ধ হৈ পৰে। অম্লান বৰা, ত্ৰিবেণী বৰা, পল্লৱী ভূএগ, অৰুণাভ চক্ৰৱৰ্তী, কল্পশ্ৰী ভৌমিক, ডাঃ অনিল মেধি, ডাঃ জয়ন্ত বিজয়শৰ্মা, ইলোৰা মেধি, নিলম মেধি, ডাঃ ঋতুপৰ্ণা ভট্টাচাৰ্য আৰু ডাঃ ভাস্কৰ দত্তৰ সামূহিক প্ৰচেষ্টাত আয়োজিত অনুষ্ঠানত ফ্ৰান্সৰ পৰা অহা অতিথি মেৰী আৰু চলচিত্ৰ প্ৰযোজক, ডিব্ৰুগড়ৰ সন্তান অৰুণজিৎ বৰাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। এইবাৰ অনুষ্ঠানলৈ বিশিষ্ট খোলবাদক গুৱাহাটীৰ অৰুণাভজ্যোতি মালাকাৰক আমন্ত্ৰণ জনোৱা হৈছিল যদিও তেওঁ উপস্থিত থাকিব নোৱাৰাৰ বাবে তেওঁৰ এটি খোলবাদনৰ ভিডিঅ' অনুষ্ঠানটোত উপভোগ কৰে। ইয়াৰ লগতে অৰুণাভ মালাকাৰৰ শিষ্য ডাঃ ভাস্কৰ দত্তই ধৰমযতি তাল বজাই ৰাইজক ইয়াৰ আভাস দিয়ে।

## কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত

প্ৰাথমিক শিক্ষা লাভ কৰা ভাস্বতে ২০১২ চনত নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা দশম স্থান অধিকাৰ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীৰ্ণ হৈছিল। পৰৱৰ্তী সময়ত গুৱাহাটী আই আই টিৰ পৰা বি টেক পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হৈ ভাস্বতে চিটি গ্ৰুপৰ চ'ফটৱেৰ ডেভলপাৰৰ পদত নিযুক্তি লাভ কৰিছিল। নগাঁও চহৰৰ সমীপৰ ডিফলুৰ বীৰেন্দ্ৰ শইকীয়া আৰু দিব্যজ্যোতি শইকীয়াৰ পুত্ৰ ভাস্বত বৰ্তমান আই পি এছ অধিকাৰী হিচাপে কৰ্মৰত হৈ আছে। এইবাৰ পুনৰ কেন্দ্ৰীয় লোকসেৱা পৰীক্ষাত ৪৭৪ সংখ্যক স্থান লাভ কৰাত ডিফলুকে ধৰি ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত আনন্দৰ জোৱাৰ উঠিছে। পদ্ধতিগতভাৱে আগবাঢ়ি গ'লে সফলতা লাভ কৰিব পাৰি বুলি ভাস্বতে জানিবলৈ দিয়ে।

# এশ শতাংশৰে উজলিল নগাঁৱৰ আনন্দৰাম ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**বিশেষ সংবাদদাতা, নগাঁও ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পূৰ্বৰ দৰে এইবাৰো নগাঁও চহৰৰ মাজমজিয়াত অৱস্থিত আনন্দৰাম ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে সফলতাৰ জয়যাত্ৰা অটুত ৰাখিবলৈ সক্ষম হৈছে। জানিব পৰা মতে শিক্ষানুষ্ঠানখনৰ পৰা ২০২৪-২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত শিক্ষানুষ্ঠানখনৰ পৰা মুঠ ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈছিল তাৰে ৫ জনে ষ্টাৰমাৰ্ক সহ প্ৰথম বিভাগত ১৭ গৰাকী প্ৰথম বিভাগত আৰু ২ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে মুঠ ৭৬ টা বিষয়ত লেটাৰ মাৰ্ক পাবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানৰ এই ফলাফলে নগাঁৱৰ ৰাইজলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখ্য যে শিক্ষানুষ্ঠানখনত আগন্তুক উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিকৰণ প্ৰক্ৰিয়া চলি আছে বুলি শিক্ষানুষ্ঠানখনৰ পৰিচালনাৰ দায়িত্বত থকা শংকৰ দয়াল শৰ্মাই জানিবলৈ দিয়ে।

# পাঁচ শতাধিক বিহুৱা-বিহুৱতীৰ নৃত্য-গীতেৰে মুখৰিত নগাঁৱৰ উৰিয়াগাঁও খেলপথাৰ 'গান্ধাৰ'-য়ে প্ৰদান কৰিলে বিশিষ্ট অভিনেত্ৰী মাধুৰীমা চৌধুৰীলৈ কলিমতী অভিধা



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** ঢোল-পেঁপা-গগনাৰ মাতত উদুলি-মুদুলি হ'ল নগাঁৱৰ ঐতিহ্যমণ্ডিত উৰিয়াগাঁৱৰ খেলপথাৰ। যোৱা ১৯ এপ্ৰিলত পাঁচ শতাধিক বিহুৱতীৰ বিহু নৃত্য-গীত পৰিবেশনেৰে বিয়লিৰে পৰা নিশা পৰ্যন্ত উদুলি-মুদুলি হৈ পৰিল পৰিৱেশ। নগাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'গান্ধাৰ'ৰ উদ্যোগত ২ এপ্ৰিলৰ পৰা ১২ এপ্ৰিললৈকে উৰিয়াগাঁও খেলপথাৰত আয়োজন কৰা সদৌ অসম বিহুৰ আখৰা-২০২৫ ৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি সামৰণি অনুষ্ঠানৰ অংশ হিচাপে মুকলি বিহু, সদৌ অসম জেং বিহু, সম্বৰ্ধনা আৰু অভিধা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে উদ্‌যাপন সমিতিৰ সভাপতি পল্লৱ জ্যোতি মহন্ত, অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ণ চন্দ্ৰ বনিয়া, শিক্ষয়ত্ৰী তথা যোগ প্ৰশিক্ষক লিলি সন্দিকৈয়ে। ইয়াৰ পিছতে কণ কণ শিশু শিল্পী সকলৰ হুঁচৰি প্ৰদৰ্শন, প্ৰশিক্ষাৰ্থী সকলৰদ্বাৰা বিহু নাচ প্ৰদৰ্শন, সমৱেত সংগীতৰ লগতে সদৌ অসম ভিত্তিত জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। গান্ধাৰৰ সম্পাদক প্ৰদীপ বৰাই আঁত ধৰা অনুষ্ঠানত ঢোলৰ ওজা সোমনাথ বড়া, বিশিষ্ট নাট্যকাৰ, পৰিচালক মৃণাল কুমাৰ বৰা, লোক সংস্কৃতিৰ উপাসক দিপ্তী শইকীয়া, বিশিষ্ট বিহু শিল্পী পদুম প্ৰসাদ শইকীয়া, বিহু প্ৰশিক্ষক ছয়নিকা কাশ্যপ, চন্দ্ৰ শইকীয়া, প্ৰিয়ংকা কলিতা, আনন্দ বৰা, নাট্য শিল্পী গগন চৌধুৰী, বড়ো সাহিত্য সভাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে বহু বিশিষ্ট শিল্পীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰিও বিশিষ্ট অভিনেত্ৰী তথা লোক নৃত্য শিল্পী মাধুৰীমা চোধুৰীক 'কলিমতী' অভিধা প্ৰদান, বিশিষ্ট শিক্ষাবিদ তথা লেখিকা মালবিকা দাস, শিখা হাজৰিকাক 'গান্ধাৰ আদৰ্শ মাতৃ' বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত অভিধা গ্ৰহণ কৰি অভিনেত্ৰী মাধুৰীমা চোধুৰীয়ে নিজৰ ভাষণ প্ৰসংগত কয়- গান্ধাৰে যি মোক বিহুৰ দেৱী কলিমতী অভিধাৰে সন্মানিত কৰিলে, তাৰ বাবে মই চিৰকৃতজ্ঞ হৈ ৰ'লো। এইয়া ভগৱানৰ দান বুলি ভাবি লৈছো। 'গান্ধাৰে' প্ৰদান কৰা 'অভিধা লাভ কৰি মই অতিশয় সুখী হৈছো। এই সন্মানৰ বাবে কিমান যোগ্য মই নাজানো, তথাপি এনে ধৰণৰ স্বীকৃতিবোৰে কাম কৰিবৰ বাবে অধিক অনুপ্ৰেৰণা আৰু সাহস যোগায় বুলি ভাষণত অভিনেত্ৰী চৌধুৰীয়া উল্লেখ কৰে। অনুষ্ঠানত জ্যেষ্ঠ চিকিৎসক তথা প্ৰাক্তন বিধায়ক দুৰ্লভ চমুৱা, উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বনিয়াই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ঢোলৰ ওজা সোমনাথ বড়াই প্ৰদৰ্শন কৰা ঢোল বাদনে সকলোকে মোহিত কৰে। উল্লেখযোগ্য যে, অনুষ্ঠানটোত কেৰেলা, কলিকতা, উৰিষ্যা, কানপুৰৰ অহা পৰ্যটক সকলেও মুকলি বিহু উপভোগ কৰে।

# অসম সাহিত্য সভাৰ 'নিজৰ দিন' পালন

## লখিমপুৰ শিমলুগুৰি শাখা সাহিত্য সভাৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক ঘৰে ঘৰে গৈ সেৱা সম্বৰ্ধনা







**বিতোপন গগৈ, লখিমপুৰ ঃ** অসম সাহিত্য সভাৰ বহুখিনি ভাল কামৰ লগতে পহিলা ব'হাগত বুকুৰ সুগন্ধি বিলাই বয়োজ্যেষ্ঠ বিশিষ্ট সাহিত্যিক, সমাজসেৱক, সাংস্কৃতিক কৰ্মী আদিক সেৱা সম্বৰ্ধনাৰ জৰিয়তে 'নিজৰ দিন' পালন এক উল্লেখযোগ্য কৰ্ম। প্ৰথমগৰাকী সভাপতি লখিমপুৰৰ সন্তান পদ্মনাথ গোহাঞিঃ বৰুৱাৰ পৰা বৰ্তমানৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীলৈকে এক অতুৎসাহী সৃষ্টিশীল চিন্তাবোৰ আমি গঠনাত্মক দিশেৰে আগবঢ়াই নিয়া উচিত। বহু বিতৰ্ক আৰু বিড়ম্বনাই ব্যাঘাত জন্মালেও ভাল কৰ্মৰ চিৰসেউজ স্বীকৃতি থাকে। ১৯৮৪-৮৫ চনত গঠন হোৱা (বিহপুৰীয়া অধিৱেশনৰ প্ৰাক্‌ক্ষণত) শিমলুগুৰি শাখা সাহিত্য সভাৰ বহুখিনি লেখত ল'বলগীয়া কাৰ্যক্ৰম ইতিমধ্যেই বিগত সময়ত সম্পন্ন হৈ গৈছে। অসম সাহিত্য সভাৰ সংহতি সপ্তাহৰ সামৰণি উৎসৱ এই শিমলুগুৰিতেই এটা সময়ত ড° নগেন শইকীয়াদেৱৰ সভাপতিত্ব আৰু উপস্থিতিত উলহ মালহেৰে সম্পন্ন হৈ গৈছিল। কাতিবিহুৰ চাকি জ্বলোৱাৰ সেই শুভ সন্ধিক্ষণ আৰু ধলপুৰ তিনি চ'কত সেনাবাহিনীৰ দ্বাৰা সভাপতি অপদস্থ হোৱাৰ দুখৰ সংবাদ এতিয়াও বহুতৰ স্মৃতিজৰ্জৰিত। ভিতৰুৱা এই অঞ্চলৰ ৰাইজৰ সহযোগিতাত গঠন হোৱা শাখা সাহিত্য সভাই বাধা বিঘিনি নেওচি মুখপত্ৰ প্ৰকাশ, বিভিন্ন জিলাৰ কাৰ্যক্ৰম আদিৰ লগতে নিজাববীয়াকৈ বছৰ বছৰ ধৰি কাৰ্যক্ৰম লৈ আহিছে কিছুসংখ্যক উদ্যমী আৰু সচেতন ব্যক্তিৰ জাগ্ৰত চেতনাৰে। যোৱা পহিলা ব'হাগৰ দিনা শাখাৰ অন্তৰ্গত পাঁচগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে নীলমণি হাজৰিকা, সোমেশ্বৰ দৈমাৰী, শুভেশ্বৰ ফুকন, ফুলেশ্বৰ বৰুৱা আৰু দুৰ্গ বসুমতাৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। জীৱনৰ সংঘাতময় বহু পৰিস্থিতিক আত্মনিয়ন্ত্ৰণ কৌশলেৰে নিজকে শ্ৰীমদ্ভাগৱত ব্যাখ্যা, সমাজৰ স্থিত কৰ্ম, ভূমিদাতা আৰু সভা সমিতিৰ গঠনাত্মক বক্তা, সমাজ অধ্যয়নৰ জৰিয়তে সমাজলৈ অধ্যয়নশীল আৰু বিপদ সংকুল সময়ত হিতৈষী পৰামৰ্শৰে আগবঢ়োৱা ৬৫ বছৰ বয়ৰ উৰ্ধৰ উক্ত বিশিষ্ট ব্যক্তিকেইগৰাকীক উক্ত দিনা সেৱা ধৰি গামোচা, চেলেং, নামঘোষা আৰু অসম সাহিত্য সভাৰ মানপত্ৰৰে 'নিজৰ দিন'ৰ উপহাৰ প্ৰদান কৰে। এই দলটিত আছিল শাখাৰ সভাপতি কবি বিতোপন গগৈ, শিক্ষকদ্বয় আজীৱন সভ্য শিৱ বৰা, প্ৰফুল্ল দৈমাৰী, সম্পাদক দীপক ইছলাৰী আদি।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত মন্ত্ৰী প্ৰশান্ত ফুকনক ‘হনুমানবক্স কানৈ সোঁৱৰণী বঁটা’ প্ৰদান



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ‘অসম বিভিন্ন সংস্কৃতিৰ ৰম্যভূমি আৰু ইয়াৰ জ্ঞানৰ ঐতিহ্য অতি প্ৰাচীন’-ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ উদ্যোগত পোন প্ৰথমবাৰৰ বাবে কানৈ মহাবিদ্যালয়ৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাতা, দানবীৰ, ৰায়চাহাব,পদ্মশ্ৰী হনুমানবক্স কানৈৰ মৃত্যুতিথিৰ লগত সংগতি ৰাখি আয়োজন কৰা বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, ৰয়েল গ্ল’বেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (শৈক্ষিক) ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে এইদৰে কয়। ‘অসমৰ উচ্চশিক্ষা ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যত’- শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° বুঢ়াগোহাঁয়ে কয় -যে আহোম শাসন কালৰ শিক্ষা ব্যৱস্থা জীৱিকা অৰ্জনৰ বাবে প্ৰদান কৰা হোৱা নাছিল, জ্ঞান, কৌশল আহৰণৰ বাবেহে প্ৰদান কৰা হৈছিল। অধ্যাপিকা ড° ভূষণ্ডা দুৱৰা কলিতাই আঁতধৰা অনুষ্ঠানটিত তেওঁ কয় -মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সময়ত টোলৰ শিক্ষা পদ্ধতি অধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ আছিল আৰু বৃটিছ শাসনকালত বৃটিছ চৰকাৰ আৰু আনন্দ ৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম বৰুৱাকে প্ৰমুখ্য কৰি কেইবাজনো মুষ্টিমেয় অসমীয়াৰ প্ৰচেষ্টাত অসমত উচ্চ শিক্ষাই অগ্ৰগতি লাভ কৰিছিল। মুখ্যদ্বাৰৰ পৰা আৰতি কৰি গায়ন-বায়ন, এন চিচিৰে উষ্ম আদৰিণ জনাই সভাগৃহলৈ অনা সভাখনিত তেওঁ কয়- ডিব্ৰুগড়ত উচ্চ শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ ক্ষেত্ৰত দানবীৰ, পদ্মশ্ৰী হনুমানবক্স কানৈৰ বহুমূলীয়া অৱদান আছিল। তেওঁ কয়- ভৱিষ্যতৰ শিক্ষাই উদ্যোগীক বিপ্লৱ সৃষ্টিত অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগিব। সম্প্ৰতি স্বায়ত্ব শাসন লাভ কৰা কানৈ মহাবিদ্যালয়ক অভিনন্দন জ্ঞাপন কৰি এই মহাবিদ্যালয়ে ভবিষ্যতে উদ্যোগীক কেন্দ্ৰ (IndustrialHub) গঠন কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত পোন প্ৰথমবাৰৰ বাবে ‘হনুমানবক্স কানৈ সোঁৱৰণী বঁটা’ প্ৰদান কৰা হয় শক্তি, দক্ষতা, নিয়োগ, উদ্যমিতা দপ্তৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনক। বঁটা গ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে হনুমানবক্স কানৈয়ে সমাজলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ ওপৰত আলোকপাত কৰি তেওঁক এই বঁটা প্ৰদান কৰাৰ বাবে অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ লগতে কানৈ পৰিয়ালৰ সমূহ সদস্য আৰু কানৈ মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা ভাৰতবৰ্ষৰ দিল্লী, মুম্বাই, কলকতা, ডিব্ৰুগড়, তিনিচুকীয়াত থকা হনুমানবক্স কানৈ পৰিয়ালৰ সদস্যবৃন্দ ক্ৰমে জ্যোতি প্ৰসাদ কানৈ, নন্দ কিশোৰ কানৈ, ৰাজীৱ ৰতন কানৈ, নীৰু কানৈ, দীনেশ কানৈ, বেনুকানৈ, প্ৰতিভা কানৈ, বিকাশ কানৈ, সুনীত কানৈ, স্মৃতি কানৈ আৰু প্ৰণৱ কানৈক একোখনকৈ ফুলাম গামোছাৰে কৃতজ্ঞতা আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ৮০ বছৰ অতিক্ৰম কৰা ডি এইচ এছ কানৈ মহাবিদ্যালয়ত এনে এক গাম্ভীৰ্যপূৰ্ণ সভাত স্বপ্নদ্ৰষ্টা হনুমানবক্স কানৈক স্মৰণ কৰাৰ পৱিত্ৰ ক্ষণত ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হ’বলৈ পাই হনুমানবক্স কানৈৰ পৰিয়ালৰ সদস্যসকল অশ্ৰুসিক্ত নয়নেৰে আৱেগিক হৈ পৰে। কানৈ পৰিয়ালৰ তৰফৰ পৰা জ্যোতি প্ৰসাদ কানৈয়ে বক্তব্য আগবঢ়াই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানৰ পূৰ্বে মহাবিদ্যালয় চৌহদত নতুনকৈ প্ৰতিষ্ঠা কৰা কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ অন্যতম এক কাণ্ডাৰী সুৰজমল কানৈৰ প্ৰতিমূৰ্তিত শুভ উন্মোচন কৰে মন্ত্ৰী প্ৰশান্ত ফুকনে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ সংগীতেৰে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শইকীয়াৰ উদ্যোগত, জ্যোতি প্ৰসাদ কানৈৰ আৰ্থিক সাহাৰ্যত আৰু সুমন দত্তৰ কলমত প্ৰকাশ পোৱা গৱেষণালব্ধ ৰায়চাহাব কানৈ ঃ দীনৰ পৰাদানী হোৱা অবিস্মৰণীয় ব্যক্তিত্ব’ শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে মন্ত্ৰী প্ৰশান্ত ফুকনে।

# মাজুলীৰ মুখা শিল্পী খগেন গোস্বামীলৈ ২০২৫ বৰ্ষৰ ‘লুইত-জিষ্ণু কমিউনিকেচন এডুকেচনেল ট্ৰাষ্ট ৰাজ্যিক কৃতজ্ঞতা বঁটা’



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলীৰ নতুন চামগুৰি সত্ৰৰ মুখা শিল্পী খগেন গোস্বামীলৈ ২০২৫ বৰ্ষৰ লুইত-জিষ্ণু কমিউনিকেচন এডুকেচনেল ট্ৰাষ্ট ৰাজ্যিক কৃতজ্ঞতা বঁটা আগবঢ়াই লুইত-জিষ্ণু কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টে। কামৰূপীয় ৰামায়ণৰ পৃষ্ঠপোষক বৰাহী ৰাজা শ্ৰীমহা মাণিক্য পূৰ্ণায্য শ্ৰদ্ধাঞ্জলিপীঠ, ৰাষ্ট্ৰীয় অযোধ্যানন্দন জন্মোৎসৱ ২০২৫ উপলক্ষে লুইত-জিষ্ণু কমিউনিকেচন এডুকেচনেল ট্ৰাষ্ট, গুৱাহাটীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৬ এপ্ৰিল দেওবাৰে অনুষ্ঠিত কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মাজুলীৰ নতুন চামগুৰি সত্ৰৰ বিশিষ্ট মুখা শিল্পী খগেন গোস্বামীলৈ মহাপুৰুষ গুৰুজনাৰ সৃষ্ট মুখাশিল্পৰ লগত জড়িত হৈ এই শিল্পক কৰ্মশালাৰ যোগেদি প্ৰচাৰ আৰু প্ৰসাৰ কৰোঁৱাত আগবঢ়োৱা অৱদানৰ বাবে এই বঁটা প্ৰদান কৰে। এই বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সূৰ্য কুমাৰ ভূঞাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। এই বঁটা লাভ কৰাত শিল্পী খগেন গোস্বামীক বিভিন্নজনে শুভেচ্ছা জনাইছে।


















স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা